সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩২ বছৰ, ৩৭ সংখ্যা,২৬ ভাদ , ৰবিবাৰ,১৪৩৩ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 37 Date of Publication- 13 September 2026 Rs. 10.00/-

## জ্যেষ্ঠ নেতা তথা প্ৰাক্তন মন্ত্ৰী ছিদ্দিক আহমেদৰ দেহাৱসান



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ ৰাজনীতিৰ এগৰাকী জ্যেষ্ঠ নেতা তথা অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী তথা দক্ষিণ কৰিমগঞ্জ সমষ্টিৰ প্ৰাক্তন বিধায়ক ছিদ্দিক আহমেদৰ দেহাৱসান। দেওবাৰে পুৱা ৮.১০ বজাত বাৰৈগ্ৰামস্থিত নিজ বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে প্ৰাক্তন মন্ত্ৰীগৰাকীয়ে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৪ বছৰ। দীৰ্ঘদিন ধৰি কৰ্কট ৰোগত আক্ৰান্ত হৈ আছিল ছিদ্দিক আহমেদ। প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰৰ কেবিনেট মন্ত্ৰী হিচাপে দায়িত্ব পালন কৰিছিল আহমেদে। ১৯৬২ চনৰ ১ অক্টোবৰত জন্মগ্ৰহণ কৰা ছিদ্দিক আহমেদে কংগ্ৰেছ দলৰ জৰিয়তে ৰাজনৈতিক জীৱনৰ পাতনি মেলিছিল। ছিদ্দিক আহমেদে অসম ( তিনিপৃষ্ঠাত চাওক)

## নতুন দিল্লীত বৈঠকত বহিল প্ৰধানমন্ত্ৰী মোদী- ৰাষ্ট্ৰপতি জিনপিঙ



ৰঙিলী বাৰ্ত্তাসেৱা- ব্ৰিকছ সন্মিলনত শনিবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙৰ এক গুৰুত্বপূৰ্ণ দ্বিপাক্ষিক বৈঠকত মিলিত হয় । ২০২৫ চনৰ আগষ্ট মাহত তিয়েনজিনত হোৱা বৈঠকৰ পিছত দুয়োগৰাকী শীৰ্ষ নেতাৰ মাজত হোৱা এই আলোচনাই ভাৰত-চীন সম্পৰ্কলৈ পুনৰ এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে। নেতাদ্বয়ৰ আলোচনাত উত্থাপিত হয় সীমান্ত সমস্যা, বাণিজ্য তথা বিনিয়োগ আদি প্ৰসংগ। অতীতৰ সংঘাতক পিছ পেলাই থৈ হাতত হাত ৰাখি বন্ধুত্বৰ বাৰ্তা দিলে দুই ৰাষ্ট্ৰপ্ৰধানে। প্ৰধানমন্ত্ৰী মোদী আৰু চীনৰ ৰাষ্ট্ৰপতি জিনপিঙে মতানৈক্যক বিবাদত ( দুই পৃষ্ঠাত চাওক)

## ব্ৰিকছ সন্মিলনত সৰ্বসন্মতিক্ৰমে গৃহীত দিল্লী ঘোষণাপত্ৰ




ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ ৰাজধানী নতুন দিল্লীত অনুষ্ঠিত ১৮ সংখ্যক ব্ৰিকছ সন্মিলনত শনিবাৰে সৰ্বসন্মতিক্ৰমে 'নতুন দিল্লী ঘোষণাপত্ৰ ২০২৬' গৃহীত হ'ল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই কথা ঘোষণা কৰি সন্মিলনত কয়, "কোনো সদস্যই আপত্তি কৰা নাই । নতুন দিল্লী ঘোষণাপত্ৰ ২০২৬ সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হৈছে । ব্ৰিকছৰ যৌথ ( দুই পৃষ্ঠাত চাওক)

## বিশেষভাৱে সক্ষম এগৰাকী এথলীটক কনভয় ৰখাই সাক্ষাৎ মুখ্যমন্ত্ৰীৰ

ৰঙিলী বাৰ্ত্তাসেৱা- এগৰাকী বিশেষভাৱে সক্ষম এথলীটক নিজৰ কনভয় ৰখাই গাড়ীৰ পৰা নামি গৈ সাক্ষাৎ কৰে মুখ্যমন্ত্ৰী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বিশেষভাৱে সক্ষম এথলীটগৰাকীক গাড়ীৰ পৰা নামি গৈ সাক্ষাৎ কৰা দৃশ্যই সামাজিক মাধ্যমত ব্যাপক গুৰুত্ব লাভকৰিছে। আদিংগিৰিলৈ গৈ থকা মুখ্যমন্ত্ৰী ড° শৰ্মাক অভিবাদন জনাবলৈ পথৰ দাঁতিত অপেক্ষা কৰি আছিল পেৰা গেমছত ৰাষ্ট্ৰীয় সোণৰ পদক লাভ কৰা এগৰাকী দিব্যাংগ এথলীটে। মুখ্যমন্ত্ৰীয়ে গাড়ীৰ পৰা নামি গৈ কিশোৰীগৰাকীৰ (দহ পৃষ্ঠাত চাওক)




## শোণিতপুৰৰ বালিপৰাত পথ দুৰ্ঘটনাত ৫ বন্ধুৰ শোকাৱহ মৃত্যু



ৰঙিলী বাৰ্ত্তাসেৱা- শোণিতপুৰ জিলাৰ বালিপৰাৰ সমীপৱৰ্তী মিট চাপ্পাইৰ নায়েৰা পেট্ৰ'ল পাম্পৰ সমীপত এক শোকাৱহ পথ দুৰ্ঘটনা সংঘটিত হয়। এই শোকাৱহ পথ দুৰ্ঘটনাটোত ঘোঁৰামাৰীৰ বটাবাৰী নামৰ গাঁওখনৰ পাঁচজন যুৱকৰ থিতাতে মৃত্যু হয়। এই শোকাৱহ দুৰ্ঘটনাত পাঁচজন সৰবৰাহী যুৱকে কৰুণ মৃত্যুক সাবটি ল'বলগীয়া হোৱা ঘটনাই অঞ্চলজুৰি শোকৰ ছাঁ পেলাইছে। জানিব পৰা মতে, শুকুৰবাৰৰ মাজনিশা প্ৰায় ১২মান বজাত বটাবাৰী গাঁৱৰ পৰা পাঁচজন যুৱকে এ এছ-১২ এ পি-৬৩০০ নম্বৰৰ এখন ইক' গাড়ী লৈ বিশেষ কামত বালিপৰালৈ বুলি ওলাই আহোঁতেই বালিপৰা-তেজপুৰ সংযোগী ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ ঘোঁৰামাৰীৰ বটাবাৰীৰ নায়ৰা পেট্ৰ'ল পাম্পৰ সমীপত তীব্ৰবেগী এ আৰ-০৪ এ-২৬৯৬ নম্বৰৰ এখন ইক'মেট ট্ৰাকে প্ৰচণ্ড জোৰে খুন্দা মাৰে। ফলত যুৱককেইজনৰ ইক' বাহনখন পথৰ দাঁতিৰ এটা খাৱৈত ছিটিকে পৰে। ফলত আটাইকেইজন যুৱকৰে মৃত্যু হয়। পিছত যুৱককেইজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে তেজপুৰৰ কনকলতা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। নিহত যুৱককেইজন ক্ৰমে বটাবাৰী গাঁৱৰ হৰগোবিন্দ হাজোৱাৰী, নয়ন স্বৰ্গীয়াৰী, পাপু বৰা ওৰফে লাটুমণি বৰা, প্ৰাঞ্জল বণিয়া আৰু সঞ্জয় মেচ বুলি জানিব পৰা গৈছে। উল্লেখ্য যে দুৰ্ঘটনাগ্ৰস্ত গাড়ীখনৰ গৰাকী আছিল নয়ন স্বৰ্গীয়াৰী। চলিত বৰ্ষৰ মে' মাহত গাড়ীখন কিনি স্কুল ভান হিচাপে ব্যৱহাৰ কৰি পৰিয়াল পোহপাল দিছিল নয়নে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে যুৱককেইজনে অহা ১৭ ছেপ্টেম্বৰত উহনি পথাৰ বটাবাৰীত সমূহীয়াকৈ অনুষ্ঠিত কৰাৰ বাবে আয়োজন কৰিছিল শ্ৰী শ্ৰী বিশ্বকৰ্মা পূজাৰ। নিজে আয়োজন কৰা শ্ৰী শ্ৰী বিশ্বকৰ্মা পূজাও অনুষ্ঠিত কৰা নহ'ল দুৰ্ভগীয়া যুৱককেইজনৰ। একেখন গাঁৱৰে পাঁচজন যুৱকে অকালতে মৃত্যুক সাবটি ল'বলগীয়া হোৱা কৰুণ ঘটনাটোত বটাবাৰী গাঁওস্থিত যুৱককেইজনৰ পৰিয়াল, গঞা ৰাইজ, বন্ধুবৰ্গ শোকত ভাগি পৰিছে। দুৰ্ঘটনাটো ইমানেই ভয়ংকৰ আছিল যে নিহতসকলৰ ( দুই পৃষ্ঠাত চাওক)

# বাটৰহাটত ভক্তিময় পৰিৱেশত নামপ্ৰসংগৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৮ সংখ্যক তিৰোভাৱ তিথি উদযাপন

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ আন আন প্ৰান্তৰ দৰে পলাশবাৰীৰ বাটৰহাততো অতি ভক্তিভাৱেৰে যুগদ্ৰষ্টা পুৰুষ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৮ সংখ্যক পৱিত্ৰ তিৰোভাৱ তিথি উদযাপন কৰা হয়। আজি শনিবাৰে বাটৰহাট মাষ্টৰপাৰা ৰাইজ গয়ৰহ বুঢ়াগোসাঁই মন্দিৰ সমিতিৰ সহযোগত দিনযোৰা বৈচিত্ৰ্যময় কাৰ্যসূচীৰে এই ধৰ্মীয় তথা সাংস্কৃতিক অনুষ্ঠানভাগি



অনুষ্ঠিত হৈ যায়। সভাপতি অনন্ত ৰাম নাথ আৰু সম্পাদক ৰোহিনী কুমাৰৰ প্ৰত্যক্ষ উপস্থিতিত পুৱাৰে পৰা এক উখল- মাখল পৰিৱেশৰ সৃষ্টি হয়। দিনৰ কাৰ্যসূচী অনুসৰি, ৰাতিপুৱা পাঠক দীনেশ নাথৰ দ্বাৰা পৱিত্ৰ ভাগৱত পাঠ কৰা হয়। ইয়াৰ পিছতে এক আধ্যাত্মিক পৰিৱেশত এক মুকলি সভা তথা আলোচনা চক্ৰ অনুষ্ঠিত হয়। উক্ত আলোচনা চক্ৰত সমল ব্যক্তি হিচাপে উপস্থিত থাকি মিনু দাস তালুকদাৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নৱ বৈষ্ণৱ ধৰ্ম আৰু ইয়াৰ গভীৰ আধ্যাত্মিক দিশসমূহৰ ওপৰত আলোকপাত কৰে। আনহাতে, বিশিষ্ট বক্তা ভাৰত কলিতাই গুৰুজনাৰ মহান আদৰ্শ আৰু তেওঁৰ অমূল্য সৃষ্টিৰাজিৰ সমাজ জীৱনলৈ অৱদানৰ বিষয়ে বিশদভাৱে আলোচনা কৰে। ইয়াৰ সমান্তৰালভাৱে দেৱেশ্বৰ

*( তিনিপৃষ্ঠাত চাওক)*

# ব্ৰিকছ সন্মিলনত সৰ্বসন্মতি

ঘোষণাপত্ৰ সন্দৰ্ভত সদস্য ৰাষ্ট্ৰসমূহৰ মাজত ব্যাপক আলোচনা হয়। শনিবাৰে পুৱা ৪ বজালৈকে চলা আলোচনাৰ অন্তত সদস্য ৰাষ্ট্ৰসমূহ উমৈহতীয়া মতত উপনীত হয়। অৱশ্যে আলোচনাৰ সময়ত কেইবাটাও স্পৰ্শকাতৰ বিষয়কলৈ মতানৈক্য দেখা গৈছিল । কিন্তু ভাৰতে নিৰন্তৰ কূটনৈতিক আলোচনাৰ জৰিয়তে বিভিন্ন পক্ষৰ মাজত সমন্বয় স্থাপন কৰি সহমত গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে । উল্লেখ্য যে ব্ৰিক্ছ শীৰ্ষ সন্মিলন উপলক্ষে ভাৰতত উপস্থিত হোৱা বিশ্ব নেতৃত্বক অভ্যৰ্থনা জনাই বিশেষ বাৰ্তা প্ৰদান কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। তেওঁৰ বাৰ্তাত স্পষ্ট হয় ব্ৰিকছৰ সংস্কাৰৰ ৰোডমেপ।। তেওঁ জনায় যে গ্ল'বেল ছাউথক নেতৃত্ব দিবলৈ সাজু ভাৰত। তেওঁৰ মতে, 'আজি গ্ল'বেল ছাউথৰ দেশসমূহ বিশ্ব সংকটৰ মুখত পৰিলেও সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত পিছপৰি আছে। আমাৰ এই সুবিধাভোগী পিৰামিড ব্যৱস্থাক ভাঙি অংশীদাৰিত্বৰ মঞ্চলৈ ৰূপান্তৰিত কৰিব লাগিব। য'ত কাৰো ওপৰত নিয়ম জাপি দিয়া নহ'ব। আটায়ে মিলি নিয়ম গঢ়িব লাগিব।' প্ৰধানমন্ত্ৰী মোদীয়ে কয়,'গ্ল'বেল ছাউথ গোলকীয় সংস্থাসমূহৰ প্ৰথম শাৰীত থাকিলেও সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত পিছৰ শাৰীতেই থাকি যায়। আমি নিশ্চয়কৈ এই 'ক্ষমতাৰ পিৰামিড'ক এনে এটি অংশীদাৰিত্বৰ মঞ্চ লৈ ৰূপান্তৰিত কৰিব লাগিব, য'ত প্ৰতিটো জাতিৰেই কথা কোৱাৰ সুযোগ থাকিব, প্ৰতিগৰাকী সদস্যৰে স্বাৰ্থ থাকিব আৰু প্ৰতিটো প্ৰচেষ্টাৰ কেন্দ্ৰবিন্দুতে থাকিব মানৱতাৰ অগ্ৰগতি। এই লক্ষ্যত তেওঁ গোলকীয় শাসন ব্যৱস্থাৰ সংস্কাৰৰ বাবে ১০টা পৰামৰ্শ যুগুত কৰা হৈছে আৰু পৰৱৰ্তী ব্ৰিকছ সন্মিলনৰ ভিতৰত সেইবোৰক বাস্তৱায়িত কৰাৰ প্ৰস্তাৱ দিয়ে। প্ৰধানমন্ত্ৰীয়ে কয় যে এই ৰোডমেপ যুগুত কৰাৰ সময়ত তিনিটা বিষয়ক আটাইতকৈ আগত ৰাখিব লাগিব। সেয়া হ'ল-প্ৰতিনিধিত্ব, জবাবদিহি আৰু নীতি প্ৰণয়ন। এই প্ৰতিনিধিত্ব প্ৰসংগত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ সংস্কাৰ আৰু বিলম্বিত কৰা নাযাব। এইক্ষেত্ৰত আলোচনাৰ নিৰ্দিষ্ট সময়সীমা আৰু সুস্পষ্ট ফলাফল থকা উচিত। বিশ্ব অৰ্থনীতিক পৰিচালনা কৰি এনে দেশসমূহৰো গোলকীয় অৰ্থনৈতিক ব্যৱস্থা সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত ন্যায্য বক্তব্য ৰখাৰ সুযোগ থকা উচিত। লগতে ব্ৰিকছৰ ধাৰাবাহিকতা আৰু সিদ্ধান্ত বাস্তৱায়নৰ বাবে এটা নতুন ব্যৱস্থা যুগুত কৰাৰ প্ৰস্তাৱ দিয়ে। সেই প্ৰস্তাৱ মতে প্ৰতিবছৰে সভাপতি পৰিৱৰ্তন হ'লেও ব্ৰিকছৰ কাৰ্যসূচীত যেন ধাৰাবাহিকতা অটুট থাকে তাৰ বাবে সিদ্ধান্ত পৰ্যালোচনা আৰু পৰৱৰ্তী পদক্ষেপৰ বাবে এটা 'এয়ী' ব্যৱস্থাৰ পৰামৰ্শ দিয়া হয়। য'ত সিদ্ধান্ত গ্ৰহণ, সমস্যাৰ সমাধান আৰু বাস্তৱায়ন প্ৰক্ৰিয়াক নথিভুক্ত কৰাৰ ডিজিটেল ভাণ্ডাৰ সৃষ্টিৰ প্ৰস্তাৱ দিয়ে। বিশ্ব বাণিজ্যৰ গতি যাতে ৰুদ্ধ নহয়, সেই লক্ষ্যৰে সমুদ্ৰত নাৱিকসকলৰ নিৰাপত্তাৰ সপক্ষে প্ৰশ্ন উত্থাপন কৰা দেখা যায় প্ৰধানমন্ত্ৰীক।

# শোণিতপুৰৰ বালিপৰাত পথ দুৰ্ঘটনাত

ভিতৰত তিনিজনৰ শৰীৰৰ বিভিন্ন অংশও আনকি ছিন্ন-ভিন্ন হৈ পৰে। দুৰ্ঘটনাটো সংঘটিত হোৱাৰ পিছতে ঘটনাস্থলীত স্থানীয় লোক আৰু আৰক্ষী উপস্থিত হৈ পাঁচজনৰে মৃতদেহ উদ্ধাৰ কৰি তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়লৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। ইপিনে আৰক্ষীয়ে দুৰ্ঘটনা সংঘটিত কৰা ট্ৰাকখন জব্দ কৰাৰ বিপৰীতে ট্ৰাকখনৰ চালকজনে পলায়ন কৰে। উল্লেখ্য যে দুৰ্ঘটনাটোত নিহত হৰগোবিন্দ হাজোৱাৰী এজন ব্যৱসায়ী তথা পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জনকাৰী। হাজোৱাৰীৰ দোকানৰ কাষতে বিশ্বকৰ্মা পূজাৰ আয়োজন চলাৰ বাবে হাজোৱাৰীৰ দোকানতে তেওঁলোক লগ হৈছিল। ইপিনে ব্যৱসায়ী প্ৰাঞ্জল বণিয়া নিজ বাসগৃহত ভাত-পানী খাই শুই থকা অৱস্থাত তেওঁলৈ চাৰি বন্ধুৱে ফোন কৰাত প্ৰাঞ্জল ঘৰৰ পৰা ৰাস্তালৈ ওলাই আহে আৰু আন চাৰিওজনে তেওঁক ইক' বাহনখনত উঠাই একেলগে বালিপৰাৰ দিশে যাত্ৰা কৰে। পৰিয়ালৰ লোকে প্ৰকাশ কৰা অনুসৰি, সচৰাচৰ দোকান বন্ধ কৰি ঘৰলৈ অহা হাজোৱাৰী কালি বাহিৰে বাহিৰে আন চাৰিওজনৰ লগত ওলাই গৈছিল। পত্নী আৰু একমাত্ৰ সন্তানক এৰি যোৱা নয়ন স্বৰ্গীয়াৰীৰ পত্নীয়ে দুৰ্ঘটনাটোৰ খবৰ লাভ কৰাৰ পিছতে অসুস্থ হৈ পৰাত তেওঁক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ইপিনে নিশা যথেষ্ট পলম হোৱা সত্ত্বেও ঘৰলৈ নহাত হৰগোবিন্দৰ দেউতাক চিন্তিত হৈ পৰে আৰু হৰগোবিন্দৰ ৯ বছৰীয়া পুত্ৰ সন্তান পিতৃৰ অপেক্ষাত থকাৰ লগতে আন চাৰিওজনৰে পৰিয়ালে তেওঁলোকৰ বাবে অপেক্ষা কৰি থকাৰ সময়ত দুৰ্ঘটনাটোৰ বিষয়ে জানিব পাৰে। ইয়াৰ পিছতে হাহাকাৰ লাগে পৰিয়ালকেইটাত। উল্লেখ্য যে নিহত আটাইকেজন তেওঁলোকৰ পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী ব্যক্তি আছিল। ইয়াৰে ভিতৰত নিহত পাপু বৰাৰ জ্যেষ্ঠ ভাতৃৰ ইতিমধ্যে বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু ঘটিছে। উল্লেখ্য যে যুৱককেইজন অঞ্চলটোৰ সৰবৰহী আৰু সামাজিক কাম-কাজৰে জড়িত আছিল। নিহত হাজোৱাৰী স্থানীয় ত্ৰিনয়ন সংঘৰ সম্পাদক আছিল। নিশা দুৰ্ঘটনাটো সংঘটিত হোৱাৰ পিছতে বটাবাৰীত হাহাকাৰ পৰিস্থিতিৰ উদ্ভৱ হয়। ইপিনে, ঘটনাস্থলীত জিলা আয়ুক্ত আনন্দ কুমাৰ দাসসহ জিলা প্ৰশাসনৰ এটি বৃহৎ দল ঘটনাস্থলীত উপস্থিত হৈ চৰজমিন তদন্ত কৰে। জিলা আয়ুক্তগৰাকীয়ে শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জনাই পৰিয়ালকেইটাক চৰকাৰীভাৱে যৎপৰোনাস্তি সহায় আগবঢ়োৱাৰ আশ্বাস দিয়ে। ইপিনে তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়ত শনিবাৰে বিয়লি নিহত পাঁচজনৰে মৰণোত্তৰ পৰীক্ষা সম্পূৰ্ণ হয়। চিকিৎসালয়ত উপস্থিত হৈ ৰঙাপাৰাৰ বিধায়ক কৃষ্ণকমল তাঁতীয়ে এই ঘটনা অতিশয় হৃদয়বিদাৰক বুলি প্ৰকাশ কৰি তেওঁ নিহতসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। নিহত আটাইকেইজনলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পিছত বটাবাৰীৰ ৰাজহুৱা শ্মশানত পাঁচজনৰে অন্ত্যোষ্টিক্ৰিয়া পৃথকে সম্পন্ন কৰা হয়।

# নতুন দিল্লীত বৈঠকত

পৰিণত হ'ব দিব নালাগে, এই কথাত একমত প্ৰকাশ কৰে । বৈঠকত দুয়োখন দেশৰ মাজত সীমান্ত ব্যৱস্থাপনাৰ পৰা আৰম্ভ কৰি বিশ্বব্যাপী একাংশ বিষয়ত অৰ্থনৈতিক সহযোগিতা আৰু সমন্বয় বৃদ্ধিৰ বিভিন্ন বিষয়ৰ ওপৰত ৪৫ মিনিট সময় আলোচনা কৰে। বৈঠকত দুয়োখন দেশে নিজৰ দ্বি-পাক্ষিক সম্পৰ্কক এক কৌশলগত তথা দীৰ্ঘম্যাদী দৃষ্টিভংগীৰে চোৱাৰ পোষকতা কৰে আৰু মতপাৰ্থক্যসমূহক কেতিয়াও বিবাদলৈ ৰূপান্তৰ হ'বলৈ দিয়া নহ'ব বুলি পুনৰ উল্লেখ কৰে। আলোচনাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জোৰ দি কয় যে ভাৰত আৰু চীনৰ সম্পৰ্কৰ ভৱিষ্যৎ 'তিনিটা পাৰস্পৰিক নীতি'ৰ ওপৰত প্ৰতিষ্ঠিত হ'ব লাগিব পাৰস্পৰিক শ্ৰদ্ধা, পাৰস্পৰিক সংবেদনশীলতা আৰু পাৰস্পৰিক স্বাৰ্থ। স্থায়ী শান্তি, সুস্থিৰতা আৰু সহযোগিতাৰ পথ মুকলি কৰিবলৈ এই নীতিকেইটা অনুসৰণ কৰাটো অত্যন্ত প্ৰয়োজন বুলি প্ৰধানমন্ত্ৰীয়ে স্পষ্ট কৰি দিয়ে। একেদৰে, সীমান্ত এলেকাত শান্তি আৰু স্থিৰতা বজাই ৰখাটো দ্বি-পাক্ষিক সম্পৰ্কৰ প্ৰগতিৰ মূল ভিত্তি বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে পূৰ্বৰ চুক্তি আৰু বুজাবুজিসমূহ কঠোৰভাৱে পালন কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। দুয়োগৰাকী নেতাই সীমান্ত সমস্যাৰ এক ন্যায়সংগত, যুক্তিসংগত আৰু দুয়োপক্ষৰ বাবে গ্ৰহণযোগ্য সমাধানৰ বাবে নিজৰ প্ৰতিশ্ৰুতি প্ৰকাশ কৰে। দ্বি-পাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ লগতে দুয়োখন দেশৰ মানুহৰ মাজত সৌহাৰ্দ্য বৃদ্ধি, সাংস্কৃতিক আদান-প্ৰদান, ব্যৱসায়িক সংযোগ আৰু যাতায়াতৰ সুচল ব্যৱস্থাৰ ওপৰতো বৈঠকে বিশেষ গুৰুত্ব লাভ কৰে। অৰ্থনৈতিক আৰু বাণিজ্যিক ক্ষেত্ৰত কাঠামোগত বাণিজ্যৰ ভাৰসাম্যহীনতা, যোগান শৃংখলৰ সমস্যা আদি সমাধান কৰি স্বচ্ছ আৰু পূৰ্বানুমানযোগ্য বজাৰৰ সুবিধা প্ৰদানৰ বিষয়েও নেতাদ্বয়ে আলোচনা কৰে। আনহাতে বৈঠকৰ আৰম্ভণিতে চীনা ৰাষ্ট্ৰপতিগৰাকীক উষ্ম সম্ভাষণ জনায় প্ৰধানমন্ত্ৰী মোদীয়ে। তেওঁ কয়-'আপোনাক আদৰণি জনাবলৈ পাই আনন্দিত। ব্ৰিক্ছ মঞ্চত আপোনাৰ ইতিবাচক বাৰ্তাৰ বাবে ধন্যবাদ। ভাৰতৰ ব্ৰিছৰ সভাপতিত্বত চীনৰ সহযোগিতাৰ বাবে কৃতজ্ঞ তা জনলোঁ।' উত্তৰত জিনপিঙে কয়- 'আমাৰ জন্মদিনৰ দিনা অৰ্থাৎ ৰপ্ত জুনত আপোনাৰ চহৰলৈ অহাৰ আমন্ত্ৰণ লাভ কৰিছিলোঁ। বিগত বছৰসমূহত আমাৰ মাজত চৰবাৰ সাক্ষাৎ হৈছে। একাধিক গুৰুত্বপূৰ্ণ বিষয়ত সহমতত উপনীত হৈছোঁ আমি। যিয়ে ভাৰত-চীনৰ কূটনৈতিক সম্পৰ্কক স্থিতিশীল উন্নয়নৰ পথেৰে পৰিচালিতা কৰিছে।' তেওঁ আৰু কয় যে আমাৰ দুয়োখন দেশৰ ৰাষ্ট্ৰীয় পৰিস্থিতি সম্পূৰ্ণ সুকীয়া। পৰস্পৰে পৰস্পৰৰ শক্তিৰ পৰা শিক্ষা লয়, একপক্ষই আনপক্ষক সমৰ্থনৰ জৰিয়তে একেলগে আমি আগুৱাই যাব লাগিব। ভাৰতে গ্ৰহণ কৰা ব্ৰিকছৰ সভাপতিৰ দায়িত্ব আৰু ২০২৬ চনৰ সন্মিলনখন সফল কৰি তোলাৰ ক্ষেত্ৰত চীনে আগবঢ়োৱা সমৰ্থনৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰপতি জিনপিং আৰু চীন চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। আঞ্চলিক তথা বিশ্বজনীন সংঘাত আৰু প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰিবলৈ দুয়োখন দেশে সম্মিলিত প্ৰচেষ্টা অব্যাহত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

# জুবিন হত্যা গোচৰত সাক্ষ্য প্ৰদান প্ৰবাসী অসমীয়া প্ৰতিম লহকৰৰ

ৰঙিলী বাৰ্তাসেৱা- জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত ন্যায়াধীশ শৰ্মীলা ভুঞাৰ ফাষ্টট্ৰেক আদালতত প্ৰবাসী অসমীয়াৰ সাক্ষ্য প্ৰদান প্ৰক্ৰিয়া অব্যাহত আছে। শুকুৰবাৰে তৃতীয়গৰাকী প্ৰবাসী অসমীয়া প্ৰতিম লহকৰ ফাষ্টট্ৰেক আদালতত উপস্থিত হৈ জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত সাক্ষ্য প্ৰদান কৰে। অৱশ্যে শুক্ৰবাৰে তেওঁৰ সাক্ষ্যদান সম্পূৰ্ণ নহ'ল। অহা সপ্তাহত সাক্ষ্য দানৰ কাৰণে তেওঁ পুনৰ আদালতত উপস্থিত হ'ব লাগিব। উল্লেখ্য যে ছিংগাপুৰৰ য়ট পাৰ্টীত জুবিন গাৰ্গৰ সৈতে একেলগে থকা প্ৰতিম লহকৰৰ জবানবন্দী বিএনএছএছৰ ১৮৩ ধাৰাৰ অধীনত লিপিবদ্ধ হৈছিল। ২০২৫ চনৰ ১৬ অক্টোবৰত তেওঁৰ জবানবন্দী লিপিবদ্ধ হৈছিল। ফাষ্টট্ৰেক আদালতত প্ৰতিম লহকৰৰ সাক্ষ্যদান অতি গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। কাৰণ ছিংগাপুৰৰ সাগৰত সাঁতুৰিবৰ সময়ত জুবিন গাৰ্গৰ সৈতে একেলগে আছিল। স্মৰ্তব্য যে জুবিন গাৰ্গৰ হত্যা গোচৰত এতিয়ালৈকে ফাষ্টট্ৰেক আদালতত প্ৰতিম লহকৰসহ (দহ পৃষ্ঠাত চাওক)

# নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী ঘোষণা



ৰঙিলী বাৰ্তাসেৱা- নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বিজেপিৰ প্ৰাৰ্থী ঘোষণা। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী হ'ব সদ্য অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া দেৱাশিস শৰ্মা। বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বই আনুষ্ঠানিকভাৱে দেৱাশিস শৰ্মাৰ নাম বিজেপি প্ৰাৰ্থীৰূপে ঘোষণা কৰে। উল্লেখ্য যে নগাঁৱৰ আয়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা সময়তে স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰা দেৱাশিস শৰ্মাই যোৱা ৮ ছেপ্টেম্বৰত বিজেপিত আনুষ্ঠানিকভাৱে যোগদান কৰিছিল। নগাঁও জিলাৰ লগতে মৰিগাঁও জিলাত আয়ুক্ত হিচাপে দীঘলীয়া সময় সমষ্টিটোৰ জনসাধাৰণৰ সৈতে পৰিচিত হৈ থকা দেৱাশিস শৰ্মা বিজেপিত শক্তিশালী প্ৰাৰ্থী হ'ব বুলিও ইতিমধ্যে ঘোষণা কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বিজেপিয়ে শৰ্মাক প্ৰাৰ্থী হিচাপে নাম ঘোষণাৰ পিছতে সংবাদ মাধ্যমৰ আগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তেওঁ কয় যে, ৰাষ্ট্ৰীয় দল এটাই মোৰ ওপৰত বিশ্বাস ৰাখি যি গধুৰ দায়িত্ব প্ৰদান কৰিছে তাৰ বাবে ধন্যবাদ। কেন্দ্ৰত মোদী চৰকাৰ, ৰাজ্যত হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ তথা ডাবল ইঞ্জিনৰ চৰকাৰে যিদৰে উন্নয়নমূলক কাম কৰিছে, তাৰ বাবে ৰাইজে বিজেপিক আশীৰ্বাদ দিব। বিগত ২৫ বছৰত প্ৰশাসনিক বিষয়া হিচাপে নগাঁৱত যি কাম কৰিছিলোঁ, তাৰ বাবে ৰাইজে মোক ভাল পায়। উল্লেখ্য যে, নগাঁও লোকসভাৰ উপ-নিৰ্বাচনৰ বাবে প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰাৰ অন্তিম দিন হৈছে ১৬ ছেপ্টেম্বৰ আৰু ভোটদান (দহ পৃষ্ঠাত চাওক)

# শংকৰদেৱ কলাক্ষেত্ৰত ৰাজ্যিক বিজেপিৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা



ৰঙিলী বাৰ্তাসেৱা- 'জনসেৱাই নাৰায়ণ সেৱা'- এই আদৰ্শক সাৰোগত কৰি বিজেপিৰ প্ৰতিগৰাকী কাৰ্যকৰ্তাই সমাজৰ প্ৰতিটো শ্ৰেণীৰ লোকৰ কাষত সেৱাৰ মনোভাৱেৰে উপনীত হ'ব লাগিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সংসদীয় ৰাজনীতি জীৱনৰ ২৫ বছৰীয়া সেৱা যাত্ৰা উপলক্ষে গ্ৰহণ কৰা 'সেৱা সংকল্প অভিযান'ৰ জৰিয়তে দলৰ কাৰ্যকৰ্তাসকলে জনসাধাৰণৰ সৈতে অধিক ঘনিষ্ঠভাৱে সংযুক্ত হৈ সমাজৰ প্ৰতি নিজৰ দায়বদ্ধতা প্ৰকাশ কৰিব লাগিব।' এই আহ্বান মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত শুকুৰবাৰে অনুষ্ঠিত ৰাজ্যিক বিজেপিৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভাত এই সন্দৰ্ভত গ্ৰহণ কৰা হ'ল এক বিস্তৃত সিদ্ধান্ত। মুখ্যতঃ জনসেৱাই নাৰায়ণ সেৱা এই আদৰ্শক সাৰোগত কৰি বিজেপিৰ প্ৰতিগৰাকী কাৰ্যকৰ্তাই সমাজৰ প্ৰতিটো শ্ৰেণীৰ লোকৰ কাষত সেৱাৰ মনোভাৱেৰে উপনীত হ'ব লাগিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংসদীয় ৰাজনৈতিক জীৱনৰ ২৫ বছৰীয়া সেৱা যাত্ৰা উপলক্ষে গ্ৰহণ কৰা এই কাৰ্যসূচীৰ জৰিয়তে দলৰ প্ৰতিগৰাকী কাৰ্যকৰ্তাক সমাজৰ প্ৰতি নিজৰ দায়বদ্ধতা প্ৰকাশ কৰা বাবে আজি বৰ্ধিত কাৰ্যনিৰ্বাহক সভাত আহ্বান জনালে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত এই কাৰ্যনিৰ্বাহক সভাত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- জনসেৱা বিজেপিৰ সাংগঠনিক আৰু ৰাজনৈতিক দৰ্শনৰ অন্যতম মূল আধাৰ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পৰা দেশৰ প্ৰধানমন্ত্ৰী হিচাপে বিগত সময়ছোৱাত দেশবাসীৰ সেৱা, দৰিদ্ৰ আৰু বঞ্চিত লোকৰ কল্যাণ, সুশাসন আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত এক অনন্য দৃষ্টান্ত স্থাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে কয়- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাজহুৱা জীৱনৰ ২৫ বছৰ পূৰ্ণ হোৱাৰ এই ঐতিহাসিক উপলক্ষে কেৱল উদ্‌যাপনৰ মাজতেই সীমাবদ্ধ নাৰাখি সেৱাৰ জৰিয়তে সমাজৰ প্ৰতি দায়বদ্ধতা প্ৰকাশ কৰাৰ এক সুযোগ হিচাপে ল'ব লাগিব। মুখ্যমন্ত্ৰীয়ে ৰাজ্যিক বিজেপিৰ সকলো স্তৰৰ কাৰ্যকৰ্তাক সেৱা সংকল্প অভিযানৰ প্ৰতিটো কাৰ্যসূচী সফল কৰি তুলিবলৈ আহ্বান জনায়। বিশেষকৈ ৰক্তদান, স্বচ্ছতা অভিযান, স্বাস্থ্য সেৱা, অংগনৱাড়ী কেন্দ্ৰৰ সৈতে সেৱামূলক কাৰ্যসূচী, যুৱ-ছাত্ৰসকলক জড়িত কৰা বিভিন্ন কাৰ্যসূচী আৰু অন্যান্য জনকল্যাণমূলক পদক্ষেপৰ জৰিয়তে এই অভিযানক সৰ্বব্যাপী কৰি তুলিবলৈ মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। ইয়াৰ পিছত ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰক্তদান শিবিৰ, স্বাস্থ্য সেৱামূলক কাৰ্যসূচী, স্বচ্ছতা অভিযানকে ধৰি কেইবাটাও পদক্ষেপ গ্ৰহণ কৰা হ'ব। ইফালে কাৰ্যনিৰ্বাহক সভাত বিজেপিয়ে ১৯ ছেপ্টেম্বৰত জুবিন গাৰ্গৰ স্মৃতিত ৰক্তদান কাৰ্যসূচী গ্ৰহণ কৰাৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই প্ৰসংগত (দহ পৃষ্ঠাত চাওক)

# অহা২০ বছৰলৈ অসমত কংগ্ৰেছ শাসনলৈ নাহেঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্তাসেৱা- শুকুৰবাৰে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰা হয়। কাৰ্যনিৰ্বাহক সভাৰ পিছতে কংগ্ৰেছৰ বিৰুদ্ধে পুনৰ সৰৱ হ'ল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সভাৰ অন্তত সংবাদ মাধ্যমৰ হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰী ড° শৰ্মাই বিৰোধী দলটোক কটাক্ষ কৰি কয়- অসমত বৰ্তমান কংগ্ৰেছ দলটো নাই। অহা ২০ বছৰলৈ অসমত কংগ্ৰেছ নাহে। এইবাৰৰ বিধানসভাৰ নিৰ্বাচনৰ পিছত কংগ্ৰেছ যে সাংঘাতিক ভাৱে পুনৰুজ্জীৱিত হ'ব পাৰিব সেই কথা মই নাভাবো। সেই কাৰণে হতাশাত ভুগি কংগ্ৰেছৰ সকলো কাৰ্যকৰ্তাই বিজেপিত যোগদান কৰাটো স্বাভাৱিক কথা। কংগ্ৰেছ যে অসমত আকৌ ঘূৰি আহিব সেই কথা মই নাভাবো। দুই-এটা সমষ্টিত কংগ্ৰেছৰ অলপ ভোট আছে সেই ঠাইতে কংগ্ৰেছ থাকিব। গতিকে উপ-নিৰ্বাচনৰ বাবে প্ৰাৰ্থী কেনেকৈ ঠিক কৰিব, সেয়া তেওঁলোকৰ কথা।

# জ্যেষ্ঠ নেতা তথা প্ৰাক্তন মন্ত্ৰী

বিধানসভাত দক্ষিণ কৰিমগঞ্জ সমষ্টিক প্ৰতিনিধিত্ব কৰিছিল। ২০০১-২০১৬ চনলৈ বিধায়ক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল জ্যেষ্ঠ ৰাজনীতিকজনে। মুঠ ৪বাৰ বিধায়ক হিচাপে নিৰ্বাচিত হোৱা জ্যেষ্ঠ ৰাজনীতিকগৰাকীয়ে প্ৰয়াত তৰুণ গগৈ নেতৃত্বাধীন চৰকাৰৰ মন্ত্ৰীসভাত সমবায় বিভাগৰ মন্ত্ৰী হিচাপেও গুৰু দায়িত্ব পালন কৰিছিল। জটিল ৰোগৰ সৈতে যুঁজি অৱশেষত শেষ নিশ্বাস ত্যাগ কৰা এইগৰাকী অভিজ্ঞ নেতাৰ দেহাৱসানত সমগ্ৰ কৰিমগঞ্জ জিলাৰ লগতে ৰাজ্যৰ ৰাজনৈতিক মহলত গভীৰ শোকৰ ছাঁ পৰিছে। বিভিন্ন ৰাজনৈতিক দল-সংগঠন তথা গুণমুগ্ধসকলে প্ৰয়াত নেতাগৰাকীৰ মৃত্যুত শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। ছিদ্দিক আহমেদৰ বিয়োগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে শোক প্ৰকাশ কৰি কয়, বহু বছৰৰ সতীৰ্থ, প্ৰাক্তন মন্ত্ৰী ছিদ্দিক আহমেদ ডাঙৰীয়াৰ অকাল বিয়োগৰ খবৰটো পাই গভীৰভাৱে মৰ্মাহত হৈছোঁ। ৰাজনীতিৰ উৰ্দ্ধত আমাৰ বন্ধুত্বৰ প্ৰতিটো স্মৃতিয়ে আজি বাৰুকৈয়ে মনত দোলা দিছে। এই মুহূৰ্তত তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ। আজি আবেলি তেওঁৰ পুৰণি ঘৰ টুকেৰ বাজাৰত জানাজা সম্পন্ন কৰা হ'ব।

# বাটৰহাটত ভক্তিময়

নাথে মহাপুৰুষজনাৰ নৱ বৈষ্ণৱ ধৰ্ম, ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ঐতিহাসিক প্ৰাসংগিকতাৰ ওপৰত বক্তব্য প্ৰদান কৰে।আলোচনা চক্ৰৰ সামৰণিৰ পাছতেই আৰম্ভ হয় ভক্তিৰসৰ বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী। স্থানীয় ভকত-বৈষ্ণৱ আৰু আইসকলৰ দ্বাৰা বৰগীত পৰিৱেশন, দিহানাম, লোকগীত আৰু অসমৰ পৰম্পৰাগত ওজাপালি প্ৰদৰ্শন কৰা হয়। হৰিনামৰ ধ্বনি আৰু খোল-তালৰ শব্দৰে সমগ্ৰ অঞ্চলটো মুখৰিত হৈ পৰে। শেষত সভাপতিৰ শলাগৰ শৰাই ভাষণেৰে দিনযোৱা এই পবিত্ৰ আধ্যাত্মিক কাৰ্যসূচীৰ সফল পৰিসমাপ্তি ঘটে।

# নলবাৰীত পেপছিকো ইণ্ডিয়াৰ ৭৭৮ কোটিৰ খাদ্য সংসাধন উদ্যোগ উদ্বোধন মুখ্যমন্ত্ৰীৰ




ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ ঔদ্যোগিক ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰি নলবাৰীৰ বানেকুছিত পেপচিকো ইণ্ডিয়াৰ ৭৭৮ কোটি টকীয়া অত্যাধুনিক আলু চিপ্‌ছ প্ৰস্তুতকাৰী উদ্যোগটো আনুষ্ঠানিকভাবে উদ্বোধন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে এই বৃহৎ প্ৰকল্পটোৰ বিভিন্ন খণ্ড পৰিদৰ্শন কৰি কাৰ্যপ্ৰণালীৰ বুজ লোৱাৰ লগতে প্ৰকল্পস্থলীত ৰোপণ কৰে এজোপা গছপুলিও। ৰাজ্যৰ খাদ্য সংসাধন ক্ষেত্ৰত এক অন্যতম বৃহৎ বিনিয়োগৰূপে পৰিগণিত হোৱা এই বিশাল উদ্যোগৰ শুভ উদ্বোধনী উপলক্ষে নতুনদেহৰ মিলন উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত অনুষ্ঠানত সমৱেত ৰাইজক সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আধাৰশিলা স্থাপন কৰাৰ মাত্ৰ তিনি বছৰৰ অভিলেখ সময়ৰ ভিতৰতে এই বৃহৎ প্ৰকল্পটো কাৰ্যক্ষম কৰি তোলাটো সমগ্ৰ অসমৰ বাবে অত্যন্ত গৌৰৱ আৰু আনন্দৰ বিষয়। ২০২৩ চনৰ ৬ ছেপ্টেম্বৰত তৎকালীন উদ্যোগ মন্ত্ৰী তথা স্থানীয় বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীৰ সৈতে বানেকুছিলৈ আহি এই প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিছিলোঁ। আধাৰশিলা আৰু উদ্বোধন- দুয়োটা কাৰ্য সমাপনৰ সুযোগ পোৱাটো সৌভাগ্যৰ কথা আৰু এই সুযোগ প্ৰদানৰ বাবে পেছিকো কোম্পানীক তেওঁ ধন্যবাদ জ্ঞাপন কৰে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই গৌৰৱেৰে উল্লেখ কৰে যে ইতিপূৰ্বে বজাৰত উপলব্ধ চিৰ পেকেটবোৰত সাধাৰণতে ‘মেনুফেকচাৰ্ড ইন উত্তৰ প্ৰদেশ’, ‘মেনুফেকচাৰ্ড ইন মহাৰাষ্ট্ৰ’ বা ‘মেনুফেকচাৰ্ড ইন কৰ্ণাটক’ বুলি লিখা থাকে। কিন্তু এতিয়াৰে পৰা দেশৰ কোটি কোটি গ্ৰাহকে ক্ৰয় কৰা পেপ্‌ছিৰ চিপ্‌ছৰ পেকেটত গৌৰৱেৰে জিলিকি থাকিব ‘মেড ইন বানেকুছি, নলবাৰী, আছাম’। এই চিপ্‌ছ সমগ্ৰ দেশলৈ যাব আৰু ইয়াৰ জৰিয়তে অসমৰ নাম ৰাষ্ট্ৰীয় ঔদ্যোগিক মানচিত্ৰত বিশেষভাৱে উজলি উঠিব। নলবাৰী জিলাৰ বানেকুছিত প্ৰায় ১২০ বিঘা মাটিত ৭৭৮ কোটি টকাৰ বিশাল বিনিয়োগেৰে পেছিকো কোম্পানীয়ে এই উদ্যোগটো গঢ়ি তুলিছে। এই উদ্যোগত ইতিমধ্যে ২০০ৰো অধিক প্ৰত্যক্ষ আৰু ৫০০ৰো অধিক পৰোক্ষ সংস্থাপনৰ ব্যৱস্থা হৈছে। ইয়াৰ ভিতৰত আটাইতকৈ উল্লেখনীয় আৰু প্ৰেৰণাদায়ী দিশটো হ’ল- ইয়াত নিয়োজিত কৰ্মচাৰীসকলৰ ৭৫ শতাংশই হৈছে মহিলা। ইতিমধ্যে ১২০ গৰাকী মহিলাক বিশেষভাৱে ডিজিটেল দক্ষতা বিকাশৰ প্ৰশিক্ষণো প্ৰদান কৰা হৈছে। ইয়াৰ উপৰি বছৰটোৰ সকলো সময়তে আলু মজুত ৰখাৰ সুবিধাৰ্থে ‘ৰ’জ ফ্ৰ’জেন চেইন ছলিউচন’ নামৰ সহযোগী প্ৰতিষ্ঠানে ৩৫ কোটি টকা ব্যয়েৰে ১০ হাজাৰ মেট্ৰিকটন ধাৰণ ক্ষমতাসম্পন্ন এটা অত্যাধুনিক শীতলীকৰণ ভঁৰাল নিৰ্মাণ কৰিছে। য’ত অতিৰিক্ত ৪৫টা প্ৰত্যক্ষ আৰু ১৫০টা পৰোক্ষ সংস্থাপনৰ সৃষ্টি হৈছে। এই কাৰখানাটোৰ আটাইতকৈ ডাঙৰ লক্ষ্য কেৱল উদ্যোগৰ ভিতৰৰ সংস্থাপনতেই সীমাবদ্ধ নহয়, ইয়াৰ প্ৰকৃত উদ্দেশ্য হৈছে ৰাজ্যখনৰ কৃষকসকলক আত্মনিৰ্ভৰশীল কৰি (দহ পৃষ্ঠাত চাওক)

# ৫ বছৰত প্ৰতিশ্ৰুতি মতে দিয়া হ’ব ২ লাখ নিযুক্তিঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি ৰাজ্য চৰকাৰে অহা ৫ বছৰত ২ লাখ পদত নিযুক্তি দিব। পুনৰ এই কথা ঘোষণা কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বিষয়টো সন্দৰ্ভত নলবাৰীত সাংবাদিকৰ আগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- চৰকাৰে চেষ্টা কৰি আছে যাতে প্ৰতিশ্ৰুতি অনুসৰি নিযুক্তি দিবলৈ বিজ্ঞাপনসমূহ প্ৰকাশ কৰিব পৰা যায়। শেহতীয়াকৈ দেৰগাঁৱত অনুষ্ঠিত জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ সন্মিলনত দুটাকৈ বেটেলিয়ন গঠনৰ সিদ্ধান্তৰ লগতে তাত নিযুক্তি প্ৰদানৰ কথাটোও আলোচনা হৈছে। অহা ১৩-১৪ ছেপ্টেম্বৰত জিলা আয়ুক্তসকলৰ সন্মিলন অনুষ্ঠিত হ’ব। এই (দহ পৃষ্ঠাত চাওক)

# জুবিনদাৰ ছিজাৰ থকাৰ কথা সতীৰ্থই আমাক জনোৱা নাছিলঃ সুস্মিতা গোস্বামী




ৰঙিলী বাৰ্ত্তাসেৱা- জুবিন গাৰ্গৰ হত্যা গোচৰত ফাষ্টট্ৰেক আদালতত তৃতীয় দিনৰ বাবে সক্ষ্যদান প্ৰদান কৰি ছিংগাপুৰৰ প্ৰবাসী অসমীয়া সুস্মিতা গোস্বামীয়ে কেতবোৰ চাঞ্চল্যকৰ তথ্য প্ৰকাশ কৰে। ফাষ্টট্ৰেক আদালতত সাক্ষ্যদান কৰি সংবাদ মাধ্যমৰ স্মিতা গোস্বামীয়ে কয়- জুবিন গাৰ্গৰ মৃত্যুৰ সময়ছোৱাৰ বহু ভিডিঅ’ মোৰ সৈতে আছিল। আমাৰ হাতত থকা সকলো ভিডিঅ’ প্ৰমাণ আৰু ভাষ্যৰ জৰিয়তে জুবিনদাই যাতে সম্পূৰ্ণৰূপে ন্যায় পায়, তাৰ বাবে চেষ্টা কৰা হৈছে। আমাৰ ভাষ্যত সকলো কথা বিতংভাৱে বৰ্ণনা কৰা হৈছে। তদুপৰি আমাৰ ভিডিঅ’বোৰত জিঅ’ টেগ, জিঅ’ লোকেচন আৰু টাইম ষ্টাম্প আছে। যিয়ে স্পষ্টকৈ দেখুৱাব যে জুবিনদা সেই নিৰ্দিষ্ট সময়ত ঠিক ক’ত আছিল, সেই সকলোবোৰ প্ৰমাণৰ সহায়ত এছআইটিয়ে এটা শক্তিশালী গোচৰ তৈয়াৰ কৰিব পাৰিছে। এই ভিডিঅ’ প্ৰমাণ আৰু আমাৰ সাক্ষীসকলৰ ভাষ্যই জুবিনদাক ন্যায় দিয়াত সম্পূৰ্ণৰূপে সহায় কৰিব। (নপৃষ্ঠাত চাওক)

# অহা ফেব্ৰুৱাৰীত প্ৰথমবাৰলৈ গুৱাহাটীত হ’ব আন্তঃৰাষ্ট্ৰীয় মাৰাথন




ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ’ব আন্তঃৰাষ্ট্ৰীয় মাৰাথন। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাৰতীয় ক্ৰিকেট কিংবদন্তি সুনীল মনোহৰ গাভাস্কাৰৰ উপস্থিতিত গুৱাহাটীত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ’বলগীয়া গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় মাৰাথনৰ লগ’ উন্মোচন কৰে। ২০২৭ চনৰ জফেব্ৰুৱাৰীত অনুষ্ঠিত হ’বলগীয়া গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় মাৰাথন আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়া প্ৰতিযোগিতা আয়োজনৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে গুৱাহাটীৰ ক্ৰমবৰ্ধমান পৰিচয়ৰ ক্ষেত্ৰত এক উল্লেখযোগ্য সংযোজন হিচাপে (দহ পৃষ্ঠাত চাওক)

# নগাওঁ আদালতৰ ঐতিহাসিক ৰায়দান

ৰঙিলী বাৰ্ত্তাসেৱা- বিগত তিনি মাহৰ কাৰ্যকালত নগাওঁ আদালতৰ অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ শ্ৰীবংকীম শৰ্মা আদালতে হত্যা আৰু অপহৰণকে ধৰি কেইবাটাও গোচৰত অভিযুক্ত সমুহক যাৱজ্জীৱন কাৰাদণ্ড আৰু ৭ বছৰৰ কাৰাদণ্ডেৰে দণ্ডিত কৰিছে। প্ৰাপ্ত বাতৰি অনুসৰি সৰ্বমুঠ ১০ টা গোচৰ যেনে- নগাওঁ থানাৰ গোচৰ নম্বৰ- ১৬৭১/২০২০, ২০৪১/২০২১, ৫৮৩/২০১৫, ৰহা থানাৰ গোচৰ নম্বৰ- ১৮৭/২০২৬, ১৫৪/২০১৬, কচুৱা থানাৰ গোচৰ নম্বৰ- ২৯/২০১৫, ২৭৮/২০১৫, ১৫৫/২০২২, বতদ্ৰৱা থানাৰ গোচৰ নম্বৰ- ১৩১/২০১৬ আৰু ধিং থানাৰ গোচৰ নম্বৰ- ১১৩/২০১৪ ৰ মুঠ ১৫ জন দোষীক কাৰাদণ্ড বিহে। ইয়াৰে ৭ টা গোচৰত যাৱজ্জীৱন কাৰাদণ্ড আৰু ৩ টা গোচৰত ৫ বছৰৰ আৰু ৭ বছৰতকৈ কাৰাদণ্ড বিহে। উক্ত গোচৰসমূহৰ খৰটকীয়া বিচাৰ সম্পন্ন কৰি দোষী অপৰাধীসমূহক আজীৱন কাৰাবাসৰ ৰায়দান কৰি এক নজিৰবিহীন কাৰ্য সম্পন্ন কৰে। ন্যায়পালিকাৰ এই ভূমিকাই নিশ্চিতভাৱে অপৰাধী ব্যক্তিসমূহক ভয় ভীত কৰিব বুলি সচেতন মহলে আশা প্ৰকাশ কৰিছে। মাননীয় আদালতৰ পদক্ষেপে নিশ্চিতভাৱে নগাওঁবাসীৰ ন্যায় ব্যৱস্থাৰ প্ৰতি আৰু অধিক বিশ্বাস জন্মাই তুলিছে।

# দিল্লীত কেন্দ্ৰীয় বিত্তমন্ত্ৰী সীতাৰমণক সাক্ষাৎ অসম-মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- বুধবাৰে নতুন দিল্লীত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমাই অসম আৰু মেঘালয়ত বাহ্যিক সাহায্য প্ৰাপ্ত প্ৰকল্পসমূহৰ গতি ক্ষিপ্ৰ কৰাৰ লক্ষ্যৰে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণক সাক্ষাৎ কৰে। উত্তৰ-পূবৰ ৰাজ্য দুখনত বাহ্যিক সাহায্যপ্ৰাপ্ত প্ৰকল্পৰ গতি ত্বৰান্বিত কৰি আন্তঃগাঁথনি আৰু সামাজিক খণ্ডত নতুন বিনিয়োগৰ পথ মুকলি কৰাৰ বাবেও দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰী কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীৰ লগতে আলোচনাত মিলিত হয়। নৱনিৰ্মিত কৰ্তব্য ভৱনত অনুষ্ঠিত এই গুৰুত্বপূৰ্ণ বৈঠকত উত্তৰ- ( নপৃষ্ঠাত চাওক)

# মাজুলীত কবিতা বৰাৰ কাব্যপুথি ‘লহৰ’ উন্মোচন



ৰঙিলী বাৰ্ত্তাসেৱা- মাজুলীৰ বিশিষ্ট কবি তথা লেখিকা কবিতা বৰাৰ প্ৰথমখন কাব্যগ্ৰন্থ ‘লহৰ’ ৯ ছেপ্টেম্বৰত ভালুকমৰা গাঁৱৰ নামঘৰ প্ৰাংগণত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত আনুষ্ঠানিকভাবে উন্মোচন কৰা হয়। শতাধিক ৰাইজ তথা গুণী-জ্ঞানী ব্যক্তিৰ উপস্থিতিত অনুষ্ঠিত এই সাহিত্য অনুষ্ঠানে স্থানীয় অঞ্চলটোত এক উখল-মাখল পৰিৱেশৰ সৃষ্টি কৰে। গাঁৱৰ মহিলাসকলে দিহানাম পৰিবেশন কৰা অনুষ্ঠানটিত পুথিখন উন্মোচন কৰে অঞ্চলটোৰ বিশিষ্ট লেখক, গীতিকাৰ, সুৰকাৰ, নাট্যকাৰ তথা অভিনেতা ৰঞ্জিত কুমাৰ ভূঞাই। উন্মোচনী ভাষণত তেওঁ লেখিকা কবিতা বৰাৰ কাব্যিক সৃষ্টিৰ ভূয়সী প্ৰশংসা কৰি ‘লহৰ’ কাব্যগ্ৰন্থই অসমীয়া সাহিত্যৰ পথাৰখন চহকী কৰিব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানটিৰ উদ্বোধন কৰে বিশিষ্ট কবি, লেখক তথা শিক্ষক ডিম্বেশ্বৰ ভূঞাই। সুন্দৰভাৱে সঞ্চালিত এই উন্মোচনী সভাত ( নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড় সাংস্কৃতিক মহাসভাৰ জিলা সমিতিৰ উদ্যোগত সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী উদযাপন



ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড়ৰ সাংস্কৃতিক মহাসভা অসমৰ জিলা সমিতিৰ উদ্যোগত বৰ্ণাঢ্য কাৰ্যসূচীৰে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপন কৰা হয়। ডিব্ৰুগড়ৰ মিলন নগৰত অনুষ্ঠিত এই কাৰ্যসূচীত সুধাকণ্ঠৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে বিশিষ্ট সুৰকাৰ -গীতিকাৰ প্ৰশান্ত কুমাৰ বৰদলৈয়ে। সুধাকণ্ঠৰ প্ৰতিচ্ছবিৰ সন্মুখত পঞ্চমুখী বন্তি প্ৰজ্বলন কৰে ক্ৰমে ডঃ ৰঞ্জু ভট্টাচাৰ্য, আকাশবাণীৰ অৱসৰপ্ৰাপ্ত মুৰব্বী বিষয়া লোহিত ডেকা, অভিনেতা অসীম কুমাৰ শৰ্মা, বিনোদ কুমাৰ বড়া, ভুপেন শইকীয়াই। ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি ঘনকান্ত ভূঞাৰ ( নপৃষ্ঠাত চাওক)

# ৰিয়া হত্যাকাণ্ডৰ চিন ৰিক্ৰিয়েচনৰ বাবে ফ্লেটলৈ লৈ অনা হৈছে ৰামানুজনক



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ বেলতলাৰ ৰিয়া তালুকদাৰৰ হত্যাকাণ্ডৰ এটাৰ পিছত আন এটা বিস্ফোৰক তথ্য পোহৰলৈ আহিছে। ৰিয়া তালুকদাৰৰ ঘাতক ৰামানুজ গোস্বামীক লগত লৈ হাতীগাঁও আৰক্ষীয়ে বুধবাৰে ৰামানুজৰ ফ্লেটত ৰিয়া হত্যাকাণ্ডৰ চিন ৰিক্ৰিয়েচন কৰে। চিন ৰিক্ৰিয়েচনৰ সময়তে আৰক্ষীয়ে ৰামানুজৰ ফ্লেটৰ পৰা কেইবাটাও গুৰুত্বপূৰ্ণ সামগ্ৰী জব্দ কৰে। আৰক্ষীয়ে ফ্লেটৰ পৰা ৰিয়াৰ কটা মূৰ ৰখা ফ্ৰীজটো জব্দ কৰাৰ লগতে মজিয়াত পৰি থকা তেজৰ চেঁকুৰাৰ নমুনাও সংগ্ৰহ কৰে। তদন্তৰ বাবে এই নমুনাসমূহ অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। হত্যাকাণ্ড সংঘটিত হোৱা দিনা ৰামানুজে পিন্ধা কাপোৰযোৰো আৰক্ষীয়ে জব্দ কৰিছে। জব্দ কৰা সামগ্ৰী আৰু সংগ্ৰহ কৰা নমুনাসমূহ ফৰেনছিক পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হ’ব পাৰে। চিন ৰিক্ৰিয়েচন ( নপৃষ্ঠাত চাওক)

# দ্বিতীয়দিনাও ফাষ্টট্ৰেক আদালতত সাক্ষ্যদান প্ৰবাসী সুস্মিতাৰ

ৰঙিলী বাৰ্ত্তাসেৱা- জুবিন গাৰ্গৰ হত্যা গোচৰত দ্বিতীয় দিনাও ফাষ্টট্ৰেক আদালতত সাক্ষ্যদান কৰে ছিংগাপুৰৰ প্ৰবাসী অসমীয়া সুস্মিতা গোস্বামীয়ে। পুৱাৰ ভাগতে সাক্ষ্যদানৰ বাবে ফাষ্টট্ৰেক আদালতত সুস্মিতা গোস্বামী উপস্থিত হয়। অৱশ্যে জুবিন গাৰ্গৰ ছিংগাপুৰত মৃত্যু হোৱাৰ সময়ত হোৱা য়াট পাৰ্টীৰ অনুষ্ঠানত উপস্থিত থকা সুস্মিতা গোস্বামীৰ সাক্ষ্যদান দ্বিতীয়দিনাও সম্পূৰ্ণ নহ’ল। উল্লেখ্য যে এইগৰাকী সুস্মিতা গোস্বামীয়ে য়াট পাৰ্টীৰ আৰম্ভণিৰ পৰা শিল্পীগৰাকীৰ মৃত্যুৰ আগমুহূৰ্তলৈকে সকলো দৃশ্যাংশ নিজৰ ম’বাইলত বন্দী কৰিছিল। কিছুসংখ্যক দৃশ্য ম’বাইলৰ পৰা আঁতৰাই পেলোৱা হৈছিল যদিও এছআইটিয়ে তদন্তৰ সময়ত সুস্মিতাৰ ম’বাইলৰ পৰা উক্ত দৃশ্যসমূহ পুনৰ উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল। শিল্পীগৰাকীৰ মৃত্যুৰ পাছতে ৰাজ্য চৰকাৰে গঠন কৰি দিয়া এছআইটিয়ে বিগত বৰ্ষৰ ৯ অক্টোবৰত আন দুই প্ৰবাসী অসমীয়াসহ সুস্মিতা গোস্বামীক জেৰাৰ বাবে হাজিৰ হ’বলৈ চমন জাৰি কৰিছিল। সেই অনুসৰি যোৱা ১৫ অক্টোবৰত জেৰাৰ বাবে গুৱাহাটীত উপস্থিত হৈছিল সুস্মিতা গোস্বামী আৰু তেওঁক এছআইটিয়ে কেইবাঘণ্টা ধৰি জেৰা চলাইছিল। জেৰাৰ সুদীৰ্ঘ ১০ মাহৰ পাছত ফাষ্টট্ৰেক আদালতত সাক্ষ্যদানৰ বাবে ছিংগাপুৰৰ পৰা গুৱাহাটীত উপস্থিত হয় সুস্মিতা গোস্বামী। মঙলবাৰৰ দিনটোত ফাষ্টট্ৰেক আদালতে সুস্মিতা গোস্বামীৰ বিয়লি ৫ বজালৈকে সাক্ষ্যগ্ৰহণ কৰে। ( নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ৰ যুটীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয়ত ড° ভূপেন হাজৰিকা জন্ম শত-বাৰ্ষিকী উদযাপন



ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড়ৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ত ভাৰত ৰত্ন ড°ভূপেন হাজৰিকা জন্ম শত-বাৰ্ষিকী বিশেষভাৱে উদযাপন কৰা হয়। কাৰ্যালয়ৰ মুখ্য সহায়ক নুৰুল ইছলামে আঁতধৰা অনুষ্ঠানত সদৰৰ স্বাস্থ্য বিষয়া ডাঃ স্মৃতি গোহাঁইয়ে ড° হাজৰিকাৰ প্ৰতিচ্ছবি সন্মুখত বন্তি প্ৰজ্বলন কৰাৰ লগতে চিকিৎসা বিষয়া ডাঃ ডিম্পী বৰঠাকুৰে পুষ্পমাল্য অৰ্পণ কৰে। চিকিৎসা বিষয়াদ্বয়ে ড° ভূপেন হাজৰিকাৰ জীৱনজোৰা সাধনাৰ বিষয়ে চমুকৈ উপস্থিত কৰ্মচাৰীৰ আগত দাঙি ধৰি সকলোকে সুধাকণ্ঠ ভূপেন দাৰ আৰ্দশৰে অনুপ্ৰাণিত হ’বলৈ আহ্বান জনায়। ইয়াৰ পূৰ্বে কাৰ্যালয়ৰ কৰ্মচাৰী নৱ সোণোৱাল, কনক বৰ্মন, কবিতা ফুকন, নিবেদিতা কলিতা, নিলাক্ষী গগৈ, দিব্য সোণোৱাল, অভিজিত দেৱনাথ, ক্ষিৰোদ বুঢ়াগোহাঁই, চেমিম, অজিত শৰণীয়া, বিজুমনি ভট্ট, প্ৰনতি বৰশইকীয়া, মনিশা কলিতা, মৈত্ৰেয়ী ফুকন, দেৱৰাজ দাস, বিষ্ণু চেত্ৰী, ৰাজুদ্দিন আহমেদ, ( নপৃষ্ঠাত চাওক)

# এজন অসাধাৰণ অসমীয়া বিজ্ঞানী- ডঃ সৰ্বেশ্বৰ বুজৰবৰুৱা



**বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও**

সভ্যতাৰ বিকাশৰ লগে লগে বিজ্ঞান আৰু প্ৰযুক্তি-বিদ্যাৰ অভুতপূৰ্ব উন্নতি, জনপ্ৰিয়তা আদিয়ে পৃথিৱীখনক নতুন ৰূপত সজাই পেলালে। আমাৰ জীৱন যাপন প্ৰণালীতো ইয়াৰ প্ৰভাৱ সুস্পষ্ট। আমি আধুনিকৰ পৰা অত্যাধুনিকলৈ গতি কৰিছোঁ। বিশ্বব্ৰহ্মাণ্ডৰ ৰহস্য ভেদ কৰিবলৈ বিজ্ঞানী সকলে অহৰ্নিশে নতুন নতুন গৱেষণা আৰু নতুন নতুন উদ্ভাৱন কৰি আছে। ৰহস্যময়ী মহাকাশৰ নতুন নতুন তথ্য আৰু গৱেষণাৰ বাবে পৃথিৱীৰ পৰা গড়ে ৪১৩ কিল'মিটাৰ ওপৰত স্থাপন কৰা হৈছে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰ। ১৯ মাৰ্চ ২০২৫ ত বিশ্বৰ মহাকাশ অভিযানে মাত্ৰ আঠ দিনৰ বাবে অভিযানলৈ গৈ নমাহ মহাকাশত বন্দী হৈ থকা মহাকাশচাৰী সুনীতা উইলিয়ামছ আৰু বুচ উইলম'ৰক পৃথিৱীলৈ ওভোটাই আনি নতুন এক ইতিহাস ৰচিলে। এই সকলোবোৰ সম্ভৱ হৈছে সেই মহান বিজ্ঞানী সকলৰ বাবে যিসকলে বিজ্ঞানৰ বিভিন্ন দিশত নিৰন্তৰ গৱেষণা চলাই আছে।

বিজ্ঞান গৱেষণাসমূহ ব্যয়বহুল, কষ্টকৰ। অসমত বিজ্ঞান গৱেষণাৰ বাবে প্ৰয়োজনীয় সা-সুবিধা বৰ্তমানৰ তুলনাত আশীৰ দশকত নাই বুলিবই পাৰি। তেনে সময়তে বিদেশত গৱেষণা কৰি ঘুৰি আহি অসমত থাকি বিভিন্ন সমস্যাৰ মাজত প্লাজমা ফিজি'ৰ গৱেষণাৰ বাট মুকলি কৰি চালুকীয়া অৱস্থাৰ পৰা উত্তৰণ ঘটোৱা বিজ্ঞানীজন হৈছে ডঃ সৰ্বেশ্বৰ বুজৰবৰুৱা। উত্তৰ প্ৰজন্মক বিজ্ঞান গৱেষণাৰ এক নতুন পথৰ সন্ধান দিয়া ডঃ সৰ্বেশ্বৰ বুজৰবৰুৱা জন্ম হৈছিল ১৯৪৮ চনৰ ৫ মে' তাৰিখে গুৱাহাটীৰ চেনিকুঠীত। তেখেতৰ পিতৃ দুৰ্গেশ্বৰ বুজৰবৰুৱা আৰু মাতৃ আছিল লাৱণ্যপ্ৰভা বুজৰবৰুৱা। সৰ্বেশ্বৰ বুজৰবৰুৱাই শিক্ষা জীৱনৰ পাতনি মেলে চেনিকুঠী প্ৰাথমিক বিদ্যালয়ত। তাৰ পিছত ক্ৰমে মানিক চন্দ্ৰ মধ্য ইংৰাজী বিদ্যালয় আৰু কটন কলেজিয়েট চৰকাৰী বিদ্যালয়ৰ পৰা ১৯৬২ চনত প্ৰবেশিকা পৰীক্ষাত অসমৰ ভিতৰতে নৱম স্থান দখলেৰে উৰ্ত্তীণ হয়। সৰুৰেপৰা পঢ়া-শুনাৰ প্ৰতি অতি আগ্ৰহী বুজৰবৰুৱাই স্কুলীয়া জীৱনতে মেধাৰ পৰিচয় দিছিল।

স্কুলীয়া শিক্ষা শেষ কৰাৰ পিছত তেওঁ কটন কলেজত বিজ্ঞান শাখাত নাম লিখায়। ১৯৬৪ চনত প্ৰি ইউ পৰীক্ষাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত পঞ্চম স্থান দখল কৰি উৰ্ত্তীণ হয়। মেট্ৰিক আৰু প্ৰি ইউ দুয়োটা পৰীক্ষাতে অসমৰ ভিতৰতে প্ৰথম দহজনৰ ভিতৰত স্থান লাভ কৰা ল'ৰা জনৰ নাছিল কোনো অহংভাৱ বা গহীন-গম্ভীৰ স্বভাৱ। ১৯৬৭ চনত কটন কলেজৰ পৰাই পদাৰ্থ বিজ্ঞান বিভাগত অনাৰ্চ সহ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি উচ্চ শিক্ষাৰ বাবে তেওঁ দিল্লী লৈ যায়। ১৯৬৯ চনত দিল্লী বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থ বিজ্ঞানত প্ৰথম শ্ৰেণীৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

১৯৬৯ চনৰ জুলাই মাহত কটন কলেজৰ পদাৰ্থ বিজ্ঞান বিভাগত প্ৰবক্তা হিচাপে তেওঁ কৰ্ম জীৱনৰ পাতনি মেলে। কটন কলেজত প্লাজমা সম্পৰ্কে এলানি বক্তৃতা শুনি প্লাজমা বিষয়ত গৱেষণাৰ বাবে ধাউতি জন্মে। সেই উদ্দেশ্যেই ১৯৭২ চনৰ আগষ্টমাহত আহমেদাবাদৰ ফিজিকেল ৰিচাৰ্চ ইনষ্টিটিউটত গৱেষণাৰ বাবে যোগদান কৰে।১৯৭৬ চনৰ আগষ্ট মাহত পুনৰ কটন কলেজত যোগদান কৰে। ১৯৭৭ চনৰ মাৰ্চ মাহত গুজৰাট বিশ্ববিদ্যালয় আহমদাবাদৰ পৰা প্লাজমা ফিজিক্সত পি এইচ ডিগ্ৰী লাভ কৰে। সেই বছৰৰে জুলাই মাহত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত প্ৰবক্তা হিচাপে যোগদান কৰে। যিজনৰ নিজক অতিক্ৰম কৰাৰ দুৰ্বাৰ হেঁপাহ থাকে তেওঁক প্ৰাপ্তিয়ে সন্তোষ্টি কৰিব নোৱাৰে। সেয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম গৰাকী 'ডক্টৰ অব চায়েন্স' সন্মান লাভ কৰা বুজৰবৰুৱাই ফেল'শ্বিপ লাভ কৰি ১৯৭৮ চনৰ ডিচেম্বৰ মাহত পশ্চিম জাৰ্মানীৰ ব'চামত থকা ৰুহৰ (Ruhr) বিশ্ব-বিদ্যালয়ত প'ষ্টডক্টৰেল গবেষণাৰ বাবে যাত্ৰা কৰে। ১৯৮১ চনৰ মাৰ্চ মাহত প'ষ্টডক্টৰেল কাম সমাপ্ত কৰি পুনৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত পদাৰ্থ বিজ্ঞান বিভাগত শিক্ষকতা চাকৰিত যোগদান কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত তেওঁ পশ্চিম জাৰ্মানীত লাভ কৰা উচ্চ শিক্ষাৰ অভিজ্ঞতাৰ প্ৰতিফলন ঘটাব পৰাকৈ গবেষণাৰ বাবে কোনো সুযোগ -সুবিধা নেদেখি স্থায়ী চাকৰি ত্যাগ কৰি পুনৰ ১৯৮২ চনত গুৱাহাটীলৈ আহে এটা নতুন সপোন বুকুত বান্ধি।

সেই সময়ত অসমত বিজ্ঞান গৱেষণাৰ বাবে নূন্যতম সা-সুবিধা খিনিও নাছিল। তেনে সময়তে অসমত থাকি বিভিন্ন সমস্যাৰ মাজতো বিজ্ঞান গৱেষণাৰ আদৰ্শ দেখুৱাই থৈ যোৱা ব্যক্তিজনেই হৈছে ডঃ সৰ্বেশ্বৰ বুজৰবৰুৱা। তেখেতৰ বাবে গুৱাহাটীত গবেষণাগাৰ এটাই বাট চাই থকা নাছিল। বিদেশত গৱেষণাৰ সুবিধা পায়ো তেওঁ সেই সুবিধা গ্ৰহণ নকৰিলে। নিজৰ জন্মভূমিৰ প্ৰতি থকা গভীৰ প্ৰেমে তেওঁক পুনৰ অসম লৈকে ঘূৰাই আনে। **আগলৈ...**

# শংকৰোৎসৱে হৃদয়ত বিলাই ভক্তি ভাৱৰ বুলনী



শঙ্কৰ দেৱক কৰো নমস্কাৰ
সৰ্বলোক পিতাকাৰী ।
হৰিভক্তি মহা ধৰ্ম প্ৰচাৰিলা
সমস্তে শাস্ত্ৰ বিচাৰি ।।
লোকক কৃপায়ে নানান উপায়ে
বিহিলন্ত কৃপাময় ।
কতো গীত পদ কীৰ্তনৰ ছন্দে
ভটিমা কতো চপয় ।।
এহিমতে নানা প্ৰচাৰ কৰিলা
লোক তাৰিবাৰ হতু ।
পৰম কৃপালু শঙ্কৰে বান্ধিলা
ইটো মহাধৰ্ম সেতু ।।
ৰামচৰণ ঠাকুৰ

**নমিতা দাস,গুৱালকুছি** মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ এইবাৰ ৫৭৮তম্ গুৰু জয়ন্তী । অসমত নৱবৈষ্ণৱ ধৰ্মৰ ত্ৰাণকৰ্তা অসমীয়া জাতিক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠিত কৰি অসমীয়া জাতীয় সংস্কৃতিৰ সৃষ্টি আদি গুৰু । তেখেতৰ বহুমুখী প্ৰতিভাৰ আকাৰ স্বৰূপ । মহাপুৰুষ মাধৱদেৱৰ ভাষাত "সৰ্বগুণাকৰ যাকেৰি নাহিকে উপাম" তেখেতৰ ধৰ্ম প্ৰচাৰ, শিক্ষা, চিত্ৰ বিদ্যা, সমাজ সংস্কাৰ, সাহিত্য সৃষ্টি, সংগীত, অভিনয়, সকলো বিষয়তে অসমীয়া জাতি আৰু অসমীয়া ভাষা সাহিত্যিক সঞ্জীৱনী শক্তি প্ৰদান কৰি অসমবাসীক চহকী কৰি থৈ গৈছে। তেখেতৰ অৱিহণা অবিহনে অসমীয়া জাতি আৰু ভাষা সাহিত্যৰ অচিনাকী হৈ ৰল হেঁতেন।

" কীৰ্তনতে শঙ্কৰ গুৰু ঘোষাতে মাধৱ
দুয়োজনা আমাৰ গুৰু পৰম বান্ধৱ"

১৪৪৯ খ্ৰিষ্টাব্দত আহিন মাহৰ শুক্ল দশমিত বৰদোৱা আলিপুখুৰীত জন্ম গ্ৰহন কৰা মহাপুৰুষ গুৰুজনাৰ জন্ম উৎসৱত ঈশ্বৰৰ গুনাণু কীৰ্ত্তনেৰে গুৰু জনাৰ সৃষ্টিৰ অমিয়া ৰসেৰে ভৰি পৰে প্ৰতিটো নামঘৰ কীৰ্ত্তনঘৰ তেৰাৰ গুনাণু কীৰ্তনৰ লগতে আই মাতৃ বাপ বান্ধৱ আটায়ে মিলি ঈশ্বৰক আৰাধনা কৰি স্বৰ্গ সম কৰি তোলা হয় প্ৰতিটো অঞ্চল । নাম ধৰ্মৰে মুখৰিত সেই অঞ্চল সমুহত গাওঁৰ ডেকা বুঢ়া লৰা ছোৱালী আটাইৰে মুখত হৰি ৰসৰ আমৃত সুৰ বিয়পি পৰে, স্বৰ্গলৈ ৰূপান্তৰিত হয় সেই অঞ্চল সমুহ।

অসমীয়া জাতিৰ সাহিত্য সংস্কৃতিৰ লগতে বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰা অসমীয়া কলা কৃষ্টিৰ স্ৰষ্টা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই হৈছে নৱবৈষ্ণৱ ধৰ্মৰ প্ৰবৰ্তক । *(বাৰপৃষ্ঠাত চাওক)*

# প্ৰতাৰণা



**শচীন্দ্ৰ কুমাৰ দাস, পলাশবাৰী**

মই বিচাৰোঁ হেজাৰ উশাহৰ মাজত লুকাই থকা
মোৰ সেই মৃত, নিস্প্ৰাণ উশাহটোক।
সমুদ্ৰৰ এই নীলাবোৰত,
কিংবা জোনাকৰ শুভ্ৰ জোনাকী আভাত
কিবা জানো সঁচাকৈ বিচাৰি পাম?
উষ্ম উদ্গীৰণৰ তপ্ত লাভা
মোৰ ৰক্তাক্ত হৃদয়ত বৈ আছে
দিনে-নিশাই।
শেৱালি কিংবা বকুলৰ সুবাসেও যেন
জুৰাব পৰা নাই মোৰ আত্মাৰ তপ্ত মৰুৰ উন্মাদনা।
নয়নত মাথোঁ ভাঁহি উঠে প্ৰতাৰণাৰ মায়াজাল,
ক্ৰোধৰ অগ্নিবৰ্ষাই ধল হৈ আগচি ধৰি
নিস্তব্ধ কৰি পেলায় মোৰ মন-ফাগুন।
তথাপিও, কিয় আজি এই নিস্প্ৰাণ হৃদয়ে
কেৱল তোমাৰ নামতেই উশাহ ল'ব খোজে?
এই বাস্তৱ জীৱনত এতিয়া
কেৱল উত্তৰবিহীন প্ৰশ্নবোৰে
জীৱন্ত দলিল হৈ হাহাকাৰ কৰে।

# মোৰ দেশ মোৰ ভৱিষ্যৎ




**ৰিতুস্মিন গাৰ্গ,দেৰগাঁও, গোলাঘাট**

চৌদিশে বিশাল জনগণ, মই আছোঁ মোৰ দেশত
মোৰ চিন্তন আৰু মনন কেৱল দেশৰ বাবে
শক্তি আৰু সম্ভাৱনাক লৈ আশাবাদী।
যুৱ ৰাষ্ট্ৰৰ গৌৰৱেৰে গৌৰৱান্বিত মোৰ দেশ।
বিকশিত ভাৰতৰ স্বপ্ন - মই
আত্মনিৰ্ভৰশীল ভাৰতৰ স্বপ্ন - মই
বিজ্ঞান -প্ৰযুক্তিৰ উদ্ভাৱনী শক্তি - মই
জাতীয় অখণ্ডতাৰ ভাব ধাৰাৰে উদ্বুদ্ধ ময়েই যুৱ শক্তি।
লক্ষ্য মোৰ দেশক উজলাই তোলাৰ
স্বাৱলম্বিতাৰে দেশৰ অৰ্থনীতি।
লক্ষ্য মোৰ আত্মনিৰ্ভৰশীল ভাৰত গঢ়াৰ
"ষ্টাৰ্ট আপ ইণ্ডিয়া"ৰ সফল পৰিণতি।
মোৰ কৰ্মস্পৃহা, সহযোগিতা আৰু মেধাই
দেশক দিব নতুন পৰিচয়।
মোৰ যোগাত্মক শক্তিশালী পদক্ষেপ
বহনক্ষম ভৱিষ্যতৰ বাণী।
মই এক মানৱ সম্পদ
শান্তি প্ৰতিষ্ঠা মোৰ কাম্য।
মিত্ৰতাৰে জিনিম ৰণ নীতি।
অনাগত ভৱিষ্যতৰ প্ৰতিধ্বনি।
প্ৰকৃতি মোৰ আই
দায়বদ্ধ মই আই প্ৰতি!
সমতুল কৰি ৰাখিম ভাৰসাম্য
বহনক্ষম ভৱিষ্যতৰ দৃষ্টিভংগী।

অণুগল্প

# মাতৃৰ স্নেহ



**দীপাংকৰ শইকীয়া, ধেমাজি**

বৃদ্ধাশ্ৰমৰ থাপনাত এগৰাকী মাতৃৰ প্ৰাৰ্থনা "প্ৰভু মোৰ পোনা দুটিক ভালে ৰাখিব"।

আজিৰ পৰা সাত বছৰৰ আগত মীৰাক পুত্ৰ বোৱাৰীয়ে গতিয়াই ঘৰৰ পৰা বাহিৰ কৰি দিছিল। এতিয়া মীৰাই পুত্ৰ বোৱাৰীৰ আৰ্শীষ বিচাৰি ভগৱানৰ ওচৰত মূৰ দুৱাইছে।

# 'চাপৰিলে মেঘ নেৰায়' নিচাৰ বিৰুদ্ধে সৰল প্ৰাৰ্থনা



**ববিতা বৰঠাকুৰ,কুৰাল গুৰি, গোলাঘাট**

ড্ৰগছ এক আতংক, ভয় আৰু অনিৰাপত্তাৰ কাৰক, ড্ৰগছ' শব্দটো শুনিলেই হাত ভৰি পেটতে লুকায়। 'নিচাযুক্ত দ্ৰব্য' এই শব্দই শিলহে বুকুখনত ভৰ দিয়ে। এই বিষাক্ত দ্ৰব্যবিধৰ চিকাৰ হৈছে নৱ প্ৰজন্ম। চাৰিওফালে ড্ৰাগছৰ বেহা । আজি আমি আমাৰ সন্তানকলৈ চিন্তিত।

সন্তানৰ একেবাৰে আপোন আৰু ওচৰৰ বন্ধু, দাৰ্শনিক আৰু পথ প্ৰদৰ্শক হ'ল মাতৃ গৰাকী, মুখ দেখিলেই গৰ্ভ চিনা মাতৃ গৰাকীয়ে প্ৰথমে সন্তানৰ পথ নিচানৰ সম্ভেদ পায় ।সান্নিধ্য মন্ত্ৰৰে, শব্দৰ যাদুৰে মাতৃ গৰাকীয়ে গ্ৰহণ কৰিব পাৰিব লাগিব বৈজ্ঞানিক দৃষ্টিভংগী, হ'ব লাগিব প্ৰগতিশীল চিন্তাৰ একোজন সমাজ বিজ্ঞানী, মোৰ সন্তান, আমাৰ সন্তান বুলি ফিতাহিমাৰি থকা মৌন মাতৃ গৰাকীয়ে এদিন হয়তো ল'ব লগা হ'ব পাৰে এখন সমাজ বা দেশৰ ধংশৰ অভিশাপ, মানসিক শাৰীৰিক আৰু বৌদ্ধিকভাৱে সুস্থ এটি সন্তানহে দেশৰ ধৰণী অথবা সম্পদ। সন্তান বিপথে গৈছে, মাতৃ মৌন, সন্তানে বাট এৰি অদেখা ক'লা পৃথিৱীৰ বাসিন্দা হ'ব বিচাৰিছে পৰিয়াল, সমাজত মানহানি হোৱাৰ ভয়ত পিতৃ মাতৃৰ কোনো প্ৰতিবাদ নাই, দৈনিক হাত খৰচ বাঢ়ি গৈছে, নিশা দুপৰলৈ সন্তান ঘৰলৈ অহা নাই, কোনো খং, অভিযোগ নাই মা-পিতাৰ, অখাদ্য খাইছে, মুখত অশ্লীল গালি -গালাজ পিতৃ-মাতৃ আৰু অভিভাৱক নিমাত, তেতিয়া বুজিব লাগিব এখন সমাজ, এটা জাতিৰ গাত বগাবলৈ আৰম্ভ কৰিছে ৰঘুমলা, ক্ষণস্বৰ্গৰ বিনিময়ত অনন্ত নৰক যাত্ৰাৰ আমিবোৰ যাত্ৰী হ'ব লাগিব, শৃংখলাবিহীন জীৱন শৈলী, অপৰাধ প্ৰৱণতা, ক্ৰমবাৰ্ধমান স্নায়ৱিক পীড়নৰ বীজ কলিতে নিৰ্মূল কৰিব নোৱাৰিলে আমি সকলো শান্তিহীন আৰু আনন্দহীন হৈ সংক্ষোভৰ (tension) দ্বাৰা পীড়িত হ'ব লাগিব। এতিয়া আমি কৰিম কি, ইতিমধ্যেই আমাৰ সন্তানক সুৰক্ষিত কৰিবলৈ সংকল্পবদ্ধ, আমাৰ আত্মশক্তিৰে সকলো স্বধিকাৰ আৰু স্বাভিমান ৰক্ষা নকৰিলে আন কোনেও আমাৰ সন্তানক উদ্ধাৰ কৰিব নোৱাৰে, বেয়া হৈছিল, বেয়া কৰিছিল, ভুলক ভুল, বুলি কোৱাৰ সাহস আছে আমাৰ ।কিন্তু এতিয়া আৰম্ভ হ'ব শুদ্ধ আৰু সূৰ্যমুখী যাত্ৰাৰ অমৃত ক্ষণ, দয়া, মৰম আৰু সহানুভূতিৰে যৌথ প্ৰচেষ্টা আৰু যথাৰ্থ অনুসন্ধান দ্বাৰা আমি পৰিকল্পিত, প্ৰণালীবদ্ধ ভাৱে আগবাঢ়ি পৰিয়ালৰ বিজ্ঞজনৰ দিহা পৰামৰ্শলৈ অভিজ্ঞ চিকিৎসক, মনোবিজ্ঞানী, সমাজ বিজ্ঞানী, শিক্ষক এক গোটহৈ শুদ্ধ পথৰ নীতি তৈয়াৰ কৰি আগবাঢ়ি যাব লাগিব। জানিব পৰা মতে, নিচা যুক্ত দ্ৰব্যৰ আসক্ত ব্যক্তিক বিকল্প চিকিৎসা কৰি পুনৰ আগৰ অৱস্থালৈ আনিব পাৰি ।এই ধৰণৰ চিকিৎসা পদ্ধতিক 'হিপনোথেৰাপি' বা হিপনো এৰ্ভছন' বুলিও কোৱা হয়। (Hypnotherapy uses hypnosis to try to treat conditions or changed habities) এৰ্ভাছন শব্দটো অৰ্থ হ'ল বিৰাগ বা বিতৃষ্ণা ।ইয়াৰ উপৰিও অংকুপাছাৰ (Acupuncture) পদ্ধতিৰ দ্বাৰাও বহু জন সুস্থ আৰু সুন্দৰ পথলৈ উভতি আহিছে ।আকৌ যোগ আৰু প্ৰাণায়ামে নিচা আসক্তি দূৰ কৰি মন মগজুৰ সন্তুলন অটুট ৰাখে। হোমিও পেথিক, এলোপেথিক চিকিৎসাৰে ড্ৰগছ আসক্ত ব্যক্তি সুস্থহৈ সমাজৰ সফল ব্যক্তি হিচাপে পৰিচয় দিছে ।যিকোনো পদ্ধতি আৰু কৌশল সফল হ'বলৈ লাগিব পৰিয়ালৰ সহযোগিতা, একাগ্ৰতা, এক নিৰ্দিষ্ট সময়, ধৰ্য আৰু সাহস। বেয়া পথৰ যাত্ৰী হ'বলৈ যিমান সময় লাগে তাতকৈ শুদ্ধ আৰু সুন্দৰ পথৰ বাবে লাগে গুণগত সময়। বহুতো চৰকাৰী, বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানে মুক্তভাৱে এই ক্ষেত্ৰ খনত কাম কৰি আহিছে ।আমি বিষয় এটা যিমান গোপন কৰিম সিমান আমাৰ বিপদ অনিবাৰ্য হৈ পৰিব। 'চাপৰিলে মেঘ নেৰায়'। ডিঙি, কাণ, হাত খালি কৰি বা মাটি-ভেটি হেৰুৱাই আমি আমাৰ সন্তানক সুস্থ কৰিব নোৱাৰো, 'সন্ধিৰ বাঁহ বুদ্ধিৰে কটা' দক্ষতা আমি অৰ্জন কৰিম, আজি অৰ্থাৎ এতিয়াই আৰম্ভ কৰোঁ আহক .., । নৰকৰ পৰা উদ্ধাৰ হোৱাৰ উপায় হ'ল পৰস্পৰৰ প্ৰতি সহানুভূতি- পূৰ্ণ সুবিবেচনাৰ অনুশীলন ।আমি জানো যে, এই ক্ষেত্ৰত পৰ্যবেক্ষক, চিকিৎসা কৰ্মী, আৰোগ্য ভৱন (Rehabilitation center) সকলোৱে গোপনীয়তা মানি চলি, আমাৰ সকলো কাম সম্পাদন কৰিবলৈ সংকল্পবদ্ধ ।

এটি সন্তান মানুহ কৰা, এগৰাকী মাতৃৰ গধুৰ দায়িত্ব, বৰ্তমান একক পৰিয়াল হোৱাৰ বাবে মাতৃ গৰাকী অধিক কৰ্ম ব্যস্ত হ'বলৈ বাধ্য, বহু সময়ত সন্তানৰ দায়িত্ব আন কাৰোবাৰ ওচৰত দিয়া হয়, মনত ৰাখিব লাগা কথাটো হ'ল আমাৰ জীৱনৰ সাৰ্থকতাৰ চাবি- কাঠী সন্তান হে, ঐশ্বৰ্য বিভূতি নহয়, সন্তানৰ বয়সৰ লগে লগে মাতৃৰ ভূমিকা পৰিবৰ্তন হব লগা হয়, অনুশাসন, মৰমৰে তেওঁলোক জনাব লাগে, আমি তেওঁলোকক বহুত ভাল পাওঁ, তেওঁলোক সুখী আৰু সফল হোৱা মানেই আমি সুখী ।তেওঁলোকক মৰম স্নেহৰ লগতে গুণগত সময় দিয়া বৰ প্ৰয়োজন, দৈহিক সান্নিধ্যৰে তেওঁলোকক একক কৰি ৰখা উচিত, আমাক সৰুতে ককা-আইতা, বৰদেউতা, খুড়ী, পেহীৰ গাঁওৰ ঘৰখনে মৰমৰ লগতে নিৰাপত্তা ও দিছিল। পিতৃ মাতৃ আৰু সন্তান একে লগে খোৱা, শুৱা, গীত গোৱা, ছবি আঁকা, গছ বা ফুল ৰোৱা, প্ৰতিপালন কৰা, সাঁতোৰা, ফুৰা, খেলা, কথা পতা, ধৰ্মীয় উৎসৱ, সামাজিক অনুষ্ঠানত অশংগ্ৰহণ কৰা, চিনেমা চোৱা ইত্যাদি ।পিতৃ-মাতৃৰ প্ৰধান কৰ্তব্য হ'ল তেওঁলোকৰ বিশ্বসযোগ্য শ্ৰোতা হোৱা ।তেওঁলোৰ মনৰ কথা, গোপন অভিপ্ৰায়, লক্ষ্য, ভাল লগা, বেয়া লগা, বন্ধু বৰ্গৰ দ্বাৰা আমি তেওঁলোকৰ মানসিক স্থিতি গম পাব পাৰো, তেওঁলোকৰ বন্ধুৰ লগত মুকলিকৈ কথা পতাৰ লগতে বন্ধু পিতৃ -মাতৃৰ লগত ওচৰ সমন্ধ ৰক্ষা কৰিলে সকলোৰে মঙ্গল হয় ।তুলনা কৰাৰ পৰা দূৰত থাকি গঠনমূলক পৰামৰ্শ, আমি কি বিচাৰো তাতকৈ তেওঁলোকে কি বিচাৰে সেইটোহে গুৰুত্বপূৰ্ণ ।সফলতাৰ লগৰী হোৱাৰ লগতে ব্যৰ্থতা, বিফলতাক কি দৰে প্ৰত্যাহ্বান জনাই আগবাঢ়ি যাব পৰা শক্তি তেওঁলোকৰ ওচৰত মজুত আছে, সেইটো পৰিচয় কৰাই দিব পাৰে কেৱল পিতৃ -মাতৃয়ে লগতে শিক্ষক সকলে, ভোগবাদী মানসিকতা মত্তহৈ আমিবোৰ হৈ পৰিছোঁ একো একোটা যন্ত্ৰ। আমি তেওঁলোকৰ পৰা শ্ৰদ্ধা বিচৰাতকৈ আমি আমাৰ পিতৃ মাতৃক শ্ৰদ্ধা কৰিব লাগিব, আমাৰ গাঁও, আত্মীয়, ভাষা, সংস্কৃতিৰ প্ৰতি দায়বদ্ধ হোৱাৰ লগতে প্ৰকৃতিৰ প্ৰতিটো উপহাৰ আদৰ যত্ন কৰিলেই তেওঁলোকে আমাক অনুকৰণ কৰিব, আমি সন্তান গঢ়াত সফল হম।

( বাৰপৃষ্ঠাত চাওক)

# ফেচবুকৰ কৃত্ৰিমতা আৰু জীৱনৰ বাস্তৱতা



**প্ৰেম বৈষ্ণৱ, বিহালী, বিশ্বনাথ**

**যোৰাখণ্ডৰ পৰা...**

আমাৰ জীৱনৰ প্ৰতিটো সৰু-বৰ কথা এতিয়া ফেচবুকৰ সম্পত্তি। আজি চাহ খালে নে নাই, দুপৰীয়া কি খালে, কেতিয়া গা ধুলে, কি সাজ পাৰ পিন্ধিলে- এই সকলোবোৰ সামাজিক মাধ্যমৰ মুকলি আকাশৰ তলত আলোচনা হয়। মানুহে নিজৰ শোৱনি কোঠাৰ পৰা ভৱিষ্যতৰ একান্তই ব্যক্তিগত পৰিকল্পনাখিনিও সেই তথাকথিত ফেচবুকীয়া বন্ধু-বোৰৰ আগত উজাৰি দিয়ে। আশ্চৰ্যজনক আৰু লজ্জাজনক কথা এয়া যে, কিছুমান বন্ধুৰ লগত এই সম্পৰ্ক ইমান কদৰ্য হৈ পৰিছে যে মানুহে ইজনে সিজনৰ অন্তৰ্বাসৰ ৰং পৰ্যন্ত জানিবলৈ অথবা জনাবলৈ কুণ্ঠাবোধ নকৰে। এয়া আধুনিকতা নহয়, এয়া আমাৰ শালীনতা আৰু চৰিত্ৰৰ চূড়ান্ত স্খলন। যিখন সমাজত ব্যক্তিগত গোপনীয়তা নাই, সেই সমাজখন কিমান গভীৰলৈ অৱনমিত হৈছে, সেয়া ভাবিলে চকু কপালত উঠে।

আমি পাহৰি যাওঁ যে যিজন ব্যক্তিক আমি মোবাইলৰ স্ক্ৰীনত শুভাকাংক্ষী হিচাপে দেখি আছোঁ, তেওঁৰ আচল মুখখন হয়তো সম্পূৰ্ণ বেলেগ হ'ব পাৰে। আমি আমাৰ দুৰ্বলতাবোৰ আৰু ব্যক্তিগত কথাবোৰ কাৰ আগত ক'ব লাগে, সেই বিবেকটো যেন হেৰুৱাই পেলাইছোঁ। এই বন্ধুত্ববোৰত আন্তৰিকতাতকৈ প্ৰদৰ্শনীৰ মোহহে অধিক। আমি ফেচবুকত কাৰোবাৰ লগত বৰ ভাল সম্পৰ্ক থকাৰ ভাও ধৰোঁ, কাৰণ আমি বিচাৰোঁ পৃথিৱীখনে দেখক যে মই কিমান আধুনিক আৰু মোৰ জনপ্ৰিয়তা কিমান। এই দেখুওৱাৰ সংস্কৃতিয়ে আমাক পৰিয়ালৰ পৰা আঁতৰাই আনি এক কাল্পনিক পৃথিৱীৰ দাস কৰি তুলিছে। যিজন বন্ধুৱে আপোনাৰ গা ধোৱা বা ভাত খোৱাৰ খবৰ ৰাখে, সেইজন বন্ধুৱে বিপদৰ দিনত সঁচাকৈয়ে আপোনাৰ কাষত থিয় দিবনে? নে কেৱল এটা 'চেড ইমোজি' দি নিজৰ দায়িত্ব শেষ কৰিব? আচলতে আমি একো একোটা ছাঁৰ লগত বন্ধুত্ব কৰি আছোঁ, যাৰ কোনো ওজন নাই। ব্যক্তিগত গোপনীয়তা যিদিনা সম্পূৰ্ণৰূপে শেষ হৈ যাব, সিদিনা আমি উপলব্ধি কৰিম যে আমি পৃথিৱীখনৰ কাষত থাকিও নিজৰ ওচৰত সম্পূৰ্ণ অচিনাকি হৈ পৰিছোঁ। চকু মেলক, নিজৰ ব্যক্তিগত পৃথিৱীখনৰ চাৰিওফালে এটা সীমাৰেখা দিয়ক, অন্যথা এই সামাজিক মাধ্যমে আমাৰ মানৱীয়তাক নগ্ন কৰিহে এৰিব।

আমাৰ সমাজৰ বন্ধুত্বৰ আন এক মৰ্মান্তিক দিশ হ'ল মানুহক তেওঁৰ আৰ্থিক স্থিতি বা সফলতাৰে জোখ-মাখ কৰা। আমাৰ আৱেগবোৰো যেন ক্ৰমান্বয়ে একো একোটা বজাৰৰ সামগ্ৰীৰ দৰে হৈ পৰিছে। আমি কাৰ লগত বন্ধুত্ব কৰিম আৰু কাৰ সৈতে ফেচবুকত ফটো দি নিজৰ গৌৰৱ প্ৰদৰ্শন কৰিম, সেইটো এতিয়া মানুহজনৰ মহৎ গুণৰ ওপৰতকৈ তেওঁৰ পদমৰ্যাদা আৰু বেংক বেলেঞ্চৰ ওপৰতহে নিৰ্ভৰ কৰিবলৈ লৈছে। এটা সৰু উদাহৰণলৈ মন কৰক। বহু বছৰৰ পাছত স্কুল বা কলেজৰ বন্ধুসকলৰ পুনৰ্মিলন অনুষ্ঠানত যদি আপোনাৰ এজন বন্ধু প্ৰতিষ্ঠিত বিষয়া বা ডাঙৰ ব্যৱসায়ী হিচাপে আহে, তেন্তে তেওঁক আগুৰি ধৰিবলৈ মানুহৰ অভাৱ নহয়। সকলোৱে চেলফি ল'বলৈ হেতা-ওপৰা কৰিব আৰু সেই ফটো ছ'চিয়েল মিডিয়াৰ ৱালত দি নিজৰ গুৰুত্ব বঢ়াবলৈ ব্যাকুল হ'ব। কিন্তু সেই একে অনুষ্ঠানতে যদি কোনো মেধাৱী বন্ধু পৰিস্থিতিৰ পাকচক্ৰত পৰি আজি এজন সাধাৰণ কৃষক বা সৰু দোকান এখন চলাই জীৱন নিৰ্বাহ কৰিছে, তেন্তে তেওঁক আন্তৰিকতাৰে মাত এষাৰ দিবলৈ বহুতেই কুণ্ঠাবোধ কৰিব। বহুতে তেওঁক দেখিও নেদেখাৰ ভাও ধৰি আঁতৰি যায়। এই শ্ৰেণী বিভাজনে আমাৰ মানসিকতাৰ চৰম সংকীৰ্ণতাকেই প্ৰমাণ কৰে।

অৱশ্যে, ফেচবুক বা সামাজিক মাধ্যম কেৱল নেতিবাচকতাৰ থলী নহয়। কোনো যন্ত্ৰ বা মাধ্যম নিজেই বেয়া নহয়, ইয়াৰ ব্যৱহাৰকাৰীৰ মানসিকতাহে ইয়াক ভাল বা বেয়া কৰি তোলে। ফেচবুকৰ জৰিয়তে আজি বহুতো পৱিত্ৰ আৰু গঠনমূলক কাম সম্পন্ন হৈছে। অসমীয়া সাহিত্য চৰ্চাৰ পৰা সমাজৰ বিভিন্ন সমস্যাৰ সমাধানৰ বাবে এতিয়া ফেচবুক এক শক্তিশালী মঞ্চ। বহু প্ৰতিভাশালী নবীন লেখক-লেখিকাই এই মাধ্যমৰ জৰিয়তে নিজৰ সৃষ্টিশীলতাক সমাজৰ আগত প্ৰকাশ কৰাৰ সুযোগ পাইছে। এই সামাজিক মাধ্যম নাথাকিলহেঁতেন যদি, তেন্তে হয়তো গাঁৱৰ কোনো চুকত থকা বহুতো সুপ্ত প্ৰতিভা আন্ধাৰতে বিলীন হৈ থাকিলহেঁতেন। বাস্তৱ অভিজ্ঞতাত দেখিছোঁ, মাজনিশা কোনো মুমূৰ্ষু ৰোগীৰ বাবে তেজৰ প্ৰয়োজন হওঁতে এই ফেচবুকৰ বন্ধুসকলেই ভগৱানৰ দৰে থিয় দিছে। দুখীয়া মেধাৱী ছাত্ৰৰ শিক্ষাৰ দায়িত্ব ল'বলৈ বা জটিল বেমাৰৰ চিকিৎসাৰ বাবে আৰ্থিক সহায় বিচাৰিবলৈ এতিয়া ফেচবুক এক আশীৰ্বাদস্বৰূপ। আমি ইয়াৰ জৰিয়তে বহুতো গুণী-জ্ঞানী আৰু সমাজপ্ৰাণ ব্যক্তিৰ সান্নিধ্য লাভ কৰিছোঁ, যিসকলৰ এষাৰ মাতে আমাক কঠিন পথত আগুৱাই যাবলৈ সাহস যোগায়। গতিকে মাধ্যম হিচাপে ফেচবুকক দোষ দিয়াটো অনুচিত।

আচল সমস্যাটো হ'ল ভাৰসাম্য ৰক্ষা কৰিব নোৱাৰা আমাৰ দুৰ্বলতা। ফেচবুকৰ পৰা জ্ঞান ল'ব লাগে, সাহিত্যৰ ৰস আস্বাদন কৰিব লাগে- সেয়া নিশ্চয়কৈ আদৰণীয়। কিন্তু তাৰ মাজতে আমি তেজৰ সম্পৰ্কবোৰক অৱহেলা কৰিবলৈ লৈছোঁ। যেতিয়া এজন ব্যক্তিয়ে ফেচবুকৰ ৱালত মানৱতাৰ দীঘলীয়া ভাষণ লিখে, অথচ ঘৰত বহি থকা বৃদ্ধ পিতৃ-মাতৃক এষাৰ মৰমৰ মাত দিবলৈ সময় নাপায়, তেতিয়াই সমাজৰ পতন আৰম্ভ হয়। আমি বুজিব লাগিব যে ফেচবুক আমাৰ জীৱনৰ এটা সৰু অংশহে, গোটেই জীৱনটো নহয়।

গতিকে আহক বন্ধুসকল, আমি আমাৰ মানসিকতাক পুনৰ এবাৰ পৰীক্ষা কৰোঁ। ফেচবুকৰ পৰা কেৱল সুন্দৰ আৰু সাৰুৱা কথাখিনি গ্ৰহণ কৰিবলৈ শিকোঁ। সাহিত্য চৰ্চা কৰক, পৃথিৱীৰ নতুন জ্ঞান অৰ্জন কৰক আৰু ভাল মানুহৰ সান্নিধ্যৰে মনটো চহকী কৰক। কিন্তু একে সময়তে বাস্তৱ পৃথিৱীখনৰ প্ৰতিও দায়িত্বশীল হওক। মোবাইলৰ পৰ্দাৰ উজ্জ্বল পোহৰৰ বাহিৰত যিখন পৃথিৱী আছে, য'ত আপোনাৰ আপোন মানুহবোৰ আছে, তেওঁলোকক যান্ত্ৰিকতাৰ নামত হেৰাই যাবলৈ নিদিব। ফেচবুকক এখন সুন্দৰ আৰু সুগন্ধি ফুলনি কৰি তোলাৰ দায়িত্ব আমাৰ প্ৰতিজনৰে। ইয়াত কাৰোবাৰ বিফলতাক উপহাস নকৰি সকলোৱে প্ৰতি সহমৰ্মিতা দেখুৱাব লাগে। সফল বন্ধুজনৰ জয়গান গোৱাৰ দৰেই জীৱনৰ যুদ্ধত ভাগৰি পৰা বিফল বন্ধুজনৰো হাতখন ধৰিব পৰাকৈ উদাৰতা আমাৰ থাকিব লাগে। যন্ত্ৰৰ লগত সম্পৰ্ক ৰাখক, কিন্তু নিজেও এটা সংবেদনহীন যন্ত্ৰ হৈ নপৰিব। মনত ৰাখিব, গঠনমূলক চিন্তা আৰু সুসংহত ব্যৱহাৰেহে আমাক প্ৰকৃত মানুহ হিচাপে পৰিচয় দিব। ফেচবুকৰ নীলা পোহৰত নিজৰ হৃদয়ৰ ৰংটো ম্লান হ'বলৈ নিদিয়াই হওক আমাৰ একমাত্ৰ সংকল্প। সতৰ্ক হওক, গঠনমূলক হওক আৰু প্ৰকৃত মানুহ হওক।

# নাটক আমি কিয় কৰিব লাগে



**নিবেদিতা হাজৰিকা, লখিমপুৰ**

**যোৰাখণ্ডৰ পৰা...**

বহুতে নাটক আদিত জড়িত হোৱা মানে সময়ৰ অপচয় বুলি ভাবে, কাম নথকা মানুহৰ কাম বুলি ভাবে। কিন্তু এইবোৰ ভিত্তিহীন মন্তব্য আৰু নাটক-অভিনয়ৰপ্ৰতি থকা এটি ভুল ধাৰণা। নাটক কৰাটো সময় নষ্ট নহয় বৰঞ্চ সময়ৰ ই আটাইতকৈ ডাঙৰ বিনিয়োগ।

নাটকেই হয়তো একমাত্ৰ মাধ্যম যি দৃশ্য-শ্ৰব্য মাধ্যমৰ জৰিয়তে অতি সহজে মানুহৰ মন স্পৰ্শ কৰিব পাৰে, মানুহৰ জীৱনলৈ এক ইতিবাচক পৰিৱৰ্তন অনাৰ লগতে মন প্ৰফুল্লিত ৰাখে। নাটকৰ লগত জড়িত হ'লে অভিনয়ৰ জৰিয়তে আমি নিজৰ জীৱনটো বাহিৰৰ পৰা চাব পাৰো, চাবলৈ শিকিব পাৰো, নিজক শুধৰাব পাৰো। যি ছাত্ৰ-ছাত্ৰী বা ব্যক্তি নাটকৰ প্ৰতি আগ্ৰহী, তেওঁলোক জীৱন উপভোগৰ ক্ষেত্ৰতো আগ্ৰহী উল্লেখযোগ্য যে, যি মঞ্চত তৎপৰ তেওঁ জীৱনৰ প্ৰতিটো পৰীক্ষাতে তৎপৰ।

নাটকে আমাক মানুহ হ'বলৈ শিকায়। নাটক কৰিলে আমি কিতাপত নোপোৱা বহু কথা শিকিবলৈ পাওঁ, যিয়ে আমাক পিছৰ জীৱনটোত বহুখিনি সহায় কৰিব পাৰে। নাটক আদিত অভিনয় কৰিলে আমি জীৱন্ত মানুহ হৈ উঠো। এনেদৰেই নাটকে আমাক বহু দিশৰ উপকাৰ সাধন কৰে, প্ৰভাৱিত কৰে। নাটক আদিত অভিনয় কৰিলে সেয়ে বহু দিশৰ পৰা উপকৃত হ'ব পাৰি।

সমাজ তথা মানৱ জীৱনত নাটকৰ প্ৰয়োজনীয়তা আৰু প্ৰভাৱ খুবেই বেছি। নাটকে আমাৰ মগজু, মুখ, মন আৰু শৰীৰ- এই ৪টা অংশৰ চৰ্চা কৰায়। নাটক হ'ল পঢ়া-শুনা বা ব্যস্ততাৰ মাজত আনন্দৰ উশাহ। কিয়নো, সমাজলৈ সততাৰ বাৰ্তা কঢ়িওৱাত, মানুহক একত্ৰিত কৰাত, মানৱীয় প্ৰমূল্যবোধ, সামাজিক সচেতনতা তথা নান্দনিক আনন্দ প্ৰদান কৰি আমাক সমৃদ্ধ কৰাত নাটক অদ্বিতীয় আৰু উপযুক্ত মাধ্যম। নাটকত অংশ লোৱাটো কেৱল এটা খেল নহয় বা কেৱল মাত্ৰ মনোৰঞ্জনো নহয়, ই আমাৰ জীৱন গঢ়াৰ এটা প্ৰশিক্ষণ শিবিৰৰ দৰে।সমাজৰ দাপোন স্বৰূপ হ'ল নাটক, য'ত মানুহৰ সুখ-দুখ আৰু জীৱনৰ সত্য প্ৰতিফলিত হয়। সেয়ে, আহক আমি সকলোৱে লগ লাগি নাটক আদিত জড়িত হওঁ আৰু সমাজলৈ এক সুন্দৰ বাৰ্তা আগবঢ়াওঁ।

# জুবিনদাৰ ছিজাৰ থকাৰ কথা

আমি যোৱা তিনিও দিন ধৰি একেখিনি কথাই কৈ আহিছোঁ। ছিংগাপুৰৰ আৰক্ষী, ছিংগাপুৰৰ আদালত আৰু এছআইটি সকলোতে আমি একেখিনি কথা আৰু একেখিনি ভিডিঅ' প্ৰমাণেই দাঙি ধৰিছোঁ। গতিকে আশা কৰিছোঁ যে এই সকলোবোৰৰ জৰিয়তে আমি নিশ্চয় ন্যায় পাম। ছিংগাপুৰৰ প্ৰবাসী অসমীয়াসকলৰ হাততো বহু ভিডিঅ' আৰু সাক্ষ্য মজুত থকাৰ কথা উল্লেখ কৰি সুস্মিতা গোস্বামীয়ে কয় যে আদালতৰ পৰা এই ভিডিঅ'ৰ তথ্য আৰু সাক্ষ্যৰ পৰাই এটা সঠিক ৰায় ওলাই আহিব। দোষীয়ে শাস্তি পাব আৰু জুবিনদাই ন্যায় পাবলৈ এই প্ৰমাণখিনি অত্যন্ত গুৰুত্বপূৰ্ণ। ছিংগাপুৰৰ সাগৰত য়াটত থকাৰ সময়ত হোৱা দুৰ্ঘটনাৰ কিছু তথ্য প্ৰকাশ কৰি সুস্মিতা গোস্বামীয়ে কয়- যিদিনা ঘটনাটো ঘটিছিল সেইদিনা লগে লগে চিকিৎসাৰ সহায়ৰ বাবে প্ৰথমটো ফোনকল মোৰ পৰাই গৈছিল। মোৰ ফোনৰ পৰা সেই কলটো যোৱাৰ বাবেই মোৰ ফোনটো অতি গুৰুত্বপূৰ্ণ প্ৰমাণ হৈ পৰিছে। ঘটনাটো ঘটাৰ দিনাই ছিংগাপুৰ আৰক্ষীয়ে আমাৰ ফোন, ভিডিঅ' প্ৰমাণ আৰু ভায়সমূহ জব্দ কৰি লৈছিল। তাৰ পিছৰে পৰা সেই সকলো ভিডিঅ' আৰু ফোন ছিংগাপুৰৰ আৰক্ষীৰ হাততে আছিল। মানুহে ছ'চিয়েল মিডিয়াযোগে যিটো ভিডিঅ' দেখিছে, সেইটো আচলতে শেষ মুহূৰ্তৰ ভিডিঅ' নহয়। সেয়া কোনোবা এটা বিশেষ মুহূৰ্তৰহে ভিডিঅ' আছিল। মোৰ হাতত থকা সকলো আচল ভিডিঅ' মই ছিংগাপুৰ আৰক্ষী আৰু এছআইটিকো দিছোঁ। গতিকে আশা কৰিছোঁ যে সকলোবোৰ প্ৰমাণে জুবিনদাক ন্যায় দিয়াত সম্পূৰ্ণ সহায় কৰিব। ছিংগাপুৰত জুবিন গাৰ্গক তেওঁৰ সতীৰ্থসকলে হত্যাৰ ষড়যন্ত্ৰ কৰিছিল নেকি বুলি সোধা এক প্ৰশ্নৰ উত্তৰত সুস্মিতা গোস্বামীয়ে কয়- সেই সময়ত যি পৰিস্থিতিৰ সৃষ্টি হৈছিল, সেয়া প্ৰবাসী অসমীয়া সাক্ষীসকলৰ বাবে অত্যন্ত কষ্টকৰ আছিল। আমি যেতিয়া য়াট পাৰ্টীলৈ গৈছিলোঁ আমাৰ কাৰো ধাৰণাই নাছিল যে জুবিনদাৰ জীৱনৰ প্ৰতি এনেকুৱা এটা ডাঙৰ কথা চলি আছে। আমাক তেওঁৰ কোনো শাৰীৰিক অসুস্থতা বা ছিৰিয়াছ কণ্ডিচনৰ বিষয়ে একো জনোৱা হোৱা নাছিল। যদি আমি কথাটো অলপ হ'লেও গম পালোঁহেঁতেন, তেন্তে কেতিয়াও আমি সেই পাৰ্টী নকৰিলোঁহেঁতেন। আনকি মই গম পোৱা হ'লে নিজেই জুবিনদাক তাত যাবলৈ বাধা দিলোঁহেঁতেন। কিন্তু আমি একোৱেই গম পোৱা নাছিলোঁ। ঘটনাটো ঘটাৰ পিছত আমি সকলোৱে গভীৰ মানসিক আঘাত পাইছোঁ। সেই সংকটৰ সময়ত আমি এম্বুলেঞ্চ আৰু সহায় বিচাৰি বহুত চেষ্টা কৰিছিলোঁ। লগে লগে মোৰ ফোনৰ পৰাই পুলিচ গাৰ্ড আৰু ক'ষ্ট গাৰ্ডক খবৰ দিয়া হৈছিল আৰু তেওঁলোকেও লগে লগে আহি পাইছিল। জুবিন গাৰ্গ পানীৰ তলত কিমান সময় আছিল সেইটো এটা আদালতৰ আইনী প্ৰক্ৰিয়াৰ বিষয় বুলি উল্লেখ কৰি সুস্মিতা গোস্বামীয়ে কয়- আমাৰ যিমানবোৰ সাক্ষী আছে তেওঁলোকৰ ভ্যয়ৰ ওপৰত ভিত্তি কৰি আদালতে এটা সঠিক সময়ৰ তালিকা প্ৰস্তুত কৰিব। মই পুনৰ কওঁ যে জুবিন গাৰ্গৰ ছিজাৰ আছিল বুলি প্ৰবাসী অসমীয়া সাক্ষীসকলৰ কোনেও জনা নাছিলোঁ। জনা হ'লে আমি য়ট পাৰ্টীলৈ জুবিন দাক লৈ নগলোঁহেতেন। দুৰ্ঘটনাৰ সময়ত জুবিন গাৰ্গে যেতিয়া সহায় বিচাৰিছিল, তেতিয়া সিদ্ধাৰ্থ বা শেখৰজ্যোতি গোস্বামীয়ে তেওঁক বচাবলৈ আগবাঢ়ি গৈছিল নে বুলি সোধা এক প্ৰশ্নৰ উত্তৰত সুস্মিতা গোস্বামীয়ে কয়-তেওঁলোকে জুবিনদাক বচাবলৈ আগবাঢ়িছিল নে ইয়াৰ আঁৰত তেওঁলোকৰ কোনো ষড়যন্ত্ৰ আছিল সেইটো সম্পূৰ্ণৰূপে আদালতেহে নিৰ্ণয় কৰিব। এজন সাক্ষী হিচাপে আমি সকলো তথ্য আৰু সাক্ষ্যদান কৰিছোঁ। এজন সাক্ষী হিচাপে মই এতিয়াই ইয়াৰ ওপৰত কোনো ব্যক্তিগত মন্তব্য কৰিব নোৱাৰোঁ।

# মাজুলীত কবিতা বৰাৰ

কেইবাগৰাকীও বক্তাই কবিতা বৰাৰ সাহিত্য চৰ্চা আৰু নিষ্ঠাৰ বিষয়ে মন্তব্য আগবঢ়ায়। বক্তাসকলৰ অনুপ্ৰেৰণাদায়ক বক্তব্যই উপস্থিত শ্ৰোতাসকলক আপ্লুত কৰি তোলে। উক্ত অনুষ্ঠানত অঞ্চলটোৰ বিশিষ্ট ব্যক্তি ক্ৰমে যুগল হাজৰিকা, দিগন্ত শইকীয়া, অমিয় কুমাৰ চিৰাং, দেবেন চন্দ্ৰ বৰুৱা, বসন্ত কুমাৰ শইকীয়া, যদু কলিতা, অতুল হাজৰিকা, শ্যামন্ত পায়েং, সুৰ শইকীয়া হাজৰিকা, গায়ত্ৰী বৰা হাজৰিকা, বৰ্ণালী বৰা ভূঞা, জয়ন্ত শইকীয়া, ৰমেন ভূঞা, সুমন্ত বৰুৱা, যতীন বৰা, দ্বীপেন শইকীয়া, পপী দাস, দৰ্শনা দাস, ধ্ৰুৱজ্যোতি বৰা, লক্ষী প্ৰসাদ ৰেগন, দেৱজিত বৰা, ফিজু দত্ত, ৰঞ্জিত হাজৰিকা, ৰাজু কলিতা, ভাস্কৰজ্যোতি কুটুম, পৱন্ত শইকীয়াৰ লগতে ভালুকমৰা গাঁৱৰ গোপিনী সমাজ, শংকৰজ্যোতি যুৱক সংঘৰ কৰ্মকৰ্তা আৰু স্থানীয় ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। আয়োজকসকলে অনুষ্ঠানটি সফলতাৰে ৰূপায়ণ কৰাত সহায়-সহযোগ আগবঢ়োৱা প্ৰত্যেকজন ব্যক্তিলৈ আন্তৰিক ধন্যবাদ ও কৃতজ্ঞতা জ্ঞাপন কৰে। শেষত লেখিকা কবিতা বৰাৰ সাহিত্যিক যাত্ৰা আৰু অধিক গতিশীল হৈ পৰক আৰু কাব্যগ্ৰন্থ 'লহৰ'ক সমগ্ৰ পাঠক সমাজে আকোঁৱালি লওক বুলি সকলোৱে শুভকামনা জনায়। উক্ত অনুষ্ঠানটোত সঞ্চালক হিচাপে উপস্থিত থাকে কবি, সমাজ সংগঠক যতীন মুদৈ।

# ডিব্ৰুগড় সাংস্কৃতিক মহাসভাৰ

সভাপতিত্বত অনুষ্ঠিত হোৱা সভাৰ আঁত ধৰে ডিব্ৰুগড় জিলা সমিতিৰ সাধাৰণ সম্পাদক চন্দনজ্যোতি কলিতাই। আৰিয়ান শেখৰ হাজৰিকাৰ দ্বাৰা গীত, অৰ্ণৱজ্যোতি কলিতা আৰু মেধাঙ্গঞ্জশ সমীৰ চলিহাৰ গীটাৰ, জিমি জিজ্ঞাসা বৰুৱা, প্ৰীতি দেৱ আদি শিশু শিল্পী সকলে সুধাকণ্ঠৰ গীত পৰিৱেশন কৰাৰ লগতে বিভিন্ন নবীন -প্ৰবীন গায়ক-গায়িকাও গীতৰে সুধাকণ্ঠক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। নৃত্য শিল্পী ময়ুৰাক্ষী বৰুৱাৰ নৃত্য, যোগমায়া গোস্বামীৰ কবিতা আবৃত্তিয়ে সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী সামৰণি অনুষ্ঠানক অনন্য মাত্ৰা প্ৰদান কৰে। সাংস্কৃতিক মহাসভা অসমৰ ডিব্ৰুগড় জিলা সমিতিৰ অন্তৰ্গত দুলীয়াজান আঞ্চলিক সমিতিৰ শিল্পী সকলৰ দ্বাৰা পৰিৱেশিত সমবেত সংগীত, ডিব্ৰুগড়ৰ সুৰপ্ৰিয়াসী সঙ্গীত দলৰ সমবেত সংগীতে উপস্থিত সুধাকণ্ঠৰ গুণমুগ্ধক আপ্লুত কৰে। জন্ম শতবাৰ্ষিকী সামৰণি অনুষ্ঠানৰ আয়োজিত সভাত সুৰজিতা সন্দিকৈ গগৈয়ে আদৰণি ভাষণ প্ৰদান কৰাৰ লগতে নিমন্ত্ৰিত বিশিষ্ট অতিথি সকলে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কৰ্মৰাজিৰ ওপৰত আলোকপাত কৰি নৱপ্ৰজন্মৰ মাজত বিশেষকৈ শিশু সকলৰ মাজত তেখেতৰ সৃষ্টিৰাজিক গীত সমূহক আগবঢ়াই লৈ যোৱাৰ বাবে সাংস্কৃতিক মহাসভা, অসমৰ ডিব্ৰুগড় জিলা সমিতিক পৰিকল্পনা প্ৰস্তুত কৰি আগবাঢ়ি যাবলৈ আহ্বান জনায়। সভাত সাংস্কৃতিক মহাসভা অসমৰ ডিব্ৰুগড় জিলা সমিতিৰ কাৰ্যকৰী সভাপতি ড° হেমন্ত কুমাৰ দাস, চৰকাৰী পেন্সনাৰ সন্থাৰ ডিব্ৰুগড় শাখাৰ সভাপতি দিলীপ কুমাৰ দাসকে প্ৰমুখ্য কৰি সাংস্কৃতিক মহাসভা অসমৰ গুণমুগ্ধ সকল আয়োজিত শতবাৰ্ষিকী সামৰণি অনুষ্ঠানত উপস্থিত থাকি শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে।

# দিল্লীত কেন্দ্ৰীয় বিত্তমন্ত্ৰী

পূৰ্বাঞ্চলত মূলধনী ব্যয় বৃদ্ধি কৰা আৰু বিভিন্ন বাহ্যিক সাহায্যপ্ৰাপ্ত প্ৰকল্পৰ জৰিয়তে ভৌগোলিক তথা সামাজিক আন্তঃগাঁথনি উন্নয়নৰ বাবে নতুন বিনিয়োগৰ পথ মুকলি কৰা সন্দৰ্ভত বিস্তাৰিতভাৱে আলোচনা কৰা হয়। বৈঠকৰ পাছত সামাজিক মাধ্যম এক্সৰ পৃষ্ঠাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে, উত্তৰ-পূৰ্বাঞ্চলত মূলধনী ব্যয় আৰু বিনিয়োগ বৃদ্ধি কৰাৰ লক্ষ্যৰে আজি মেঘালয়ৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীকনৰাড চাংমাৰ সৈতে মাননীয় কেন্দ্ৰীয় বিত্তমন্ত্ৰী শ্ৰীমতী নিৰ্মলা সীতাৰমন ডাঙৰীয়ানীৰ সৈতে হোৱা সাক্ষাতে নতুন সমৃদ্ধি প্ৰদান কৰিলে। তেওঁ লগতে কয় যে, অসম আৰু মেঘালয়ত বাহ্যিক সাহায্যপ্ৰাপ্ত প্ৰকল্পৰ গতি ত্বৰান্বিত কৰি আন্তঃগাঁথনি আৰু সামাজিক খণ্ডত নতুন বিনিয়োগৰ পথ মুকলি কৰাৰ বাবে আলোচনাকালত বিশেষভাৱে প্ৰাধান্য দিয়া হয়। মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে ইতিবাচক সঁহাৰি জনাই এই দিশত কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। অসম আৰু মেঘালয়ে আন্তঃগাঁথনি উন্নয়ন ত্বৰান্বিত কৰাৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশত বৃদ্ধিত সহায় কৰিবলৈ অধিক বিনিয়োগ সংগঠিত কৰাৰ বাবে বৈঠকখনে তাৎপৰ্য গ্ৰহণ কৰিছে। আলোচনাকালত অসম ভৱনৰ আৱাসিক আয়ুক্ত কবিতা পদ্মনাভনৰ লগতে কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ৰ কেইবাগৰাকী জ্যেষ্ঠ বিষয়াও উপস্থিত থাকে।

# ৰিয়া হত্যাকাণ্ডৰ চিন

আৰু ফৰেনছিক তদন্তৰ জৰিয়তে হত্যাকাণ্ডৰ সৈতে জড়িত অধিক তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে। ইফালে তদন্তকাৰী হাতীগাঁও আৰক্ষীয়ে লাভ কৰিছে ৰিয়া তালুকদাৰ হত্যাৰ পিছতে চৰ্চালৈ অহা 'চুগাৰ ডেডী'ৰ পৰিচয়। সূত্ৰ অনুসৰি,'চুগাৰ ডেডী'ৰ গুৱাহাটীৰ ফাঁচীবজাৰত ব্যৱসায় আছে। হত্যাকাণ্ডৰ তদন্তৰ স্বাৰ্থত 'চুগাৰ ডেডী'ক সোধা-পোছাৰ বাবে আৰক্ষীয়ে তলব কৰাৰ সম্ভাৱনাও আছে। সূত্ৰ অনুসৰি, ৰামানুজক জে'ললৈ প্ৰেৰণ কৰাৰ পিছত 'চুগাৰ ডেডী'ক তলব কৰি সোধা-পোছা কৰিব পাৰে তদন্তকাৰী আৰক্ষীয়ে। অৱশ্যে, 'চুগাৰ ডেডী'ৰ বিৰুদ্ধে হত্যাকাণ্ডৰ সৈতে জড়িত থকাৰ কোনো নিশ্চিত তথ্য এতিয়ালৈকে পোহৰলৈ অহা নাই। উল্লেখ্য যে গুৱাহাটীৰ বেলতলা-বশিষ্ঠপুৰৰ ৪ নম্বৰ উপপথৰ ১৪ নম্বৰ ঘৰত দেওবাৰে নিশা উদ্ধাৰ হৈ ছিল ৰিয়া তালুকদাৰৰ মৃতদেহ। 'অঞ্জলি গৃহ' নামৰ অট্টালিকাটোৰ তৃতীয় মহলাত থকা নিজা ফ্লেটৰ পৰাই আৰক্ষীয়ে ৰিয়াৰ মৃতদেহ উদ্ধাৰ কৰিছিল। দেওবাৰে নিশাই হত্যাকাণ্ডৰ অভিযুক্ত ৰিয়াৰ স্বামী ৰামানুজ গোস্বামীক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে।

# ডিব্ৰুগড়ৰ যুটীয়া

নিপু চেতিয়াৰ লগতে সমূহ কৰ্মচাৰীয়ে ড° হাজৰিকাৰ প্ৰতিচ্ছবিত পুস্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা নিবেদন কৰে। সমজুৱাৰ ভাষণত বিশিষ্ট লেখক, সু বক্তা বিভাস দুৱৰাই ড° ভূপেন হাজৰিকাৰ কৰ্মৰাজিৰ বিষয়ে এক সুন্দৰ বিশ্লেষণ দাঙি ধৰি ভূপেন- জুবিনৰ আৰ্দশৰে অনুপ্ৰাণিত হৈ তেওঁবিলাকৰ সৃষ্টিশীল কৰ্মৰাজিক সদায়েই স্মৰণ কৰি আগুৱাই যাবলৈও পৰামৰ্শ প্ৰদান কৰে।সেই কৰ্মৰাজি বিলাক ভবিষ্যতৰ প্ৰজন্মই যাতে সুন্দৰভাৱে অনুধাৱন কৰিব পাৰে তাৰ বাবেও যথাযথ ব্যৱস্থা কৰিবলৈ ভাষণত ব্যক্ত কৰে।সভাৰ শেষত সকলো কৰ্মচাৰীয়ে ভূপেনদাৰ কালজয়ী গীত "মানুহে মানুহৰ বাবে" সমস্বৰে পৰিৱেশন কৰি অনুষ্ঠানটি সামৰণি মাৰে।

# দ্বিতীয়দিনাও ফাষ্টট্ৰেক

দ্বিতীয় দিনা সাক্ষ্যগ্ৰহণৰ পিছত আদালতৰ বাহিৰলৈ ওলাই আহি সুস্মিতাই সংবাদ মাধ্যমৰ আগত কয় যে আদালতত তেওঁৰ সাক্ষ্যদান চলি আছে। সেয়েহে উক্ত গোচৰ সন্দৰ্ভত এতিয়া তেওঁ কোনো মন্তব্য কৰিব নোৱাৰে। বৃহস্পতিবাৰে সাক্ষ্যদান শেষ হ'ব আৰু তেতিয়াহে এই বিষয়ক লৈ মন্তব্য কৰিব পৰা যাব বুলিও সুস্মিতাই ব্যক্ত কৰে। আনহাতে তেওঁৰ হাতত থকা তথ্য সন্দৰ্ভত কয় যে সকলো ভিডিঅ' এতিয়া আৰক্ষী আৰু আদালতৰ হাতত আছে। ইয়াতকৈ বেছি একো ক'ব নোৱাৰোঁ। মই এতিয়া একো ষ্টেটমেন্ট দিব নোৱাৰোঁ। ইফালে গুৱাহাটী উচ্চ ন্যায়ালয়ত জামিন লাভৰ বাবে আবেদন কৰা সন্দীপন গাৰ্গ আৰু অমৃতপ্ৰভা মহন্তই সকাহ লাভ নকৰিলে। জামিন আবেদনৰ শুনানিৰ বাবে মিতালী ঠাকুৰীয়াৰ আদালত সন্মত নোহোৱাত তেওঁলোকৰ জামিন আবেদনৰ অহা ১৭ ছেপ্টেম্বৰত পৰৱৰ্তী শুনানি ধাৰ্য কৰা হৈছে।

# নগাঁও লোকসভা সমষ্টিৰ

হ'ব ৬ অক্টোবৰত। ২০২৬ ৰ বিধানসভা নিৰ্বাচনৰ সময়তে সেই সময়ৰ নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে কংগ্ৰেছ ত্যাগ কৰি বিজেপিত যোগ দিছিল। ফলত খালী হৈছিল নগাঁও লোকসভা সমষ্টিটো। শুকুৰবাৰে বিজেপিয়ে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিলে যদিও এই পৰ্যন্ত কংগ্ৰেছে ঘোষণা কৰা নাই প্ৰাৰ্থীৰ নাম। উপ-নিৰ্বাচনৰ বাবে কাক প্ৰক্ষেপ কৰিব তাক লৈ ঠিৰাং কৰিব পৰা নাই কংগ্ৰেছে। মুখ্যমন্ত্ৰীয়ে প্ৰাৰ্থিত্ব লাভৰ বাবে দেৱাশিস শৰ্মাক শুভকামনা জ্ঞাপন কৰে। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰসংগতো মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- নগাঁও লোকসভা সমষ্টি বিজেপিৰ পৰম্পৰাগত সমষ্টি নহয়। যোৱা লোকসভা নিৰ্বাচনত আমি সমষ্টিটোত পৰাজয় বৰণ কৰিছোঁ। যদিও এইটো বিজেপিৰ সমষ্টি নহয়, তথাপি বিগত কেইটামান দিনত সমষ্টিটোত সংখ্যালঘু লোকৰ বিজেপিৰ প্ৰতি ব্যাপক সঁহাৰি দেখা গৈছে। এইবাৰ ৰাইজৰ মাজত যথেষ্ট উৎসাহ-উদ্দীপনা আছে। যোৱাবাৰ বিধানসভা উপ-নিৰ্বাচনত আমি চামগুৰি সমষ্টিত জয়লাভ কৰিছিলোঁ যদিওবা এই আসনখন আমাৰ নাছিল। গতিকে দলৰ সকলোৱে উপ-নিৰ্বাচনত এবাৰ যুঁজাৰ বাবে চিন্তা কৰিছে। কিন্তু আমাৰ মুখ্য লক্ষ্য হ'ব যে বিধানসভা নিৰ্বাচনত আমি যিকেইটা সমষ্টিত জয়ী হৈছিলোঁ, সেই সমষ্টিকেইটা যাতে আমাৰ হাতত থাকে আৰু ভোট যাতে বৃদ্ধি হয়। মুখ্যমন্ত্ৰীয়ে কয় যে বিজেপিয়ে সংখ্যালঘু অধ্যুষিত সমষ্টিত বিগত বিধানসভা নিৰ্বাচনত যথেষ্ট ভোট লাভ কৰিবলৈ সক্ষম হৈছিল। মানকাচৰৰ দৰে সমষ্টিত বিজেপিয়ে সংখ্যালঘুৰ সমৰ্থন লাভ কৰাৰ লগতে পৰ্বতঝোৰা সমষ্টিতো যথেষ্ট ভোট লাভ কৰিবলৈ সক্ষম হৈছিলোঁ। গতিকে সংখ্যালঘু লোকৰ ভোট বিজেপিয়ে একেবাৰে নোপোৱাকৈ নাথাকে। চামগুৰি সমষ্টিতো আমি জয়ী হৈছিলোঁ। গতিকে নগাঁৱত এইবাৰ কি হয় দেখা যাব।

# নলবাৰীত পেপছিকো ইণ্ডিয়াৰ

তোলা বুলি মন্তব্য কৰি তেওঁ কয় যে সাধাৰণ খাদ্য বা তৰকাৰীৰ বাবে ব্যৱহাৰ কৰা আলুতকৈ চিপ্‌ছ প্ৰস্তুত কৰা 'পটেট' চিপ্‌ছ গ্ৰেড' আলু পৃথক আৰু ইয়াৰ বাবে বিশেষ উন্নত প্ৰজাতিৰ বীজৰ প্ৰয়োজন হয়। পেছিকো কোম্পানীক বৰ্তমান বাৰ্ষিক ৩০ হাজাৰ মেট্ৰিকটন আলুৰ প্ৰয়োজন আৰু ২০৩০ চনৰ ভিতৰত এই বাৰ্ষিক চাহিদা ৭০ হাজাৰ মেট্ৰিকটনলৈ বৃদ্ধি পাব। নলবাৰী, কামৰূপ আৰু দৰঙৰ কৃষকসকলে এই বিশেষ আলুৰ খেতি কৰিব লাগিব। গুজৰাট বা পশ্চিমবংগৰ পৰা কেঁচামাল আনি ইয়াত চিপ্‌ছ প্ৰস্তুত কৰিলে উদ্যোগটোৰ মূল সাৰ্থকতা নাথাকিব। থলুৱা কৃষকে খেতি কৰিলে বজাৰ নোপোৱা বা দৰ হ্ৰাস হোৱাৰ কোনো শংকা নাথাকিব, কাৰণ পেপছি কোম্পানীয়ে নিশ্চিতভাৱে এই সকলো আলু নিৰ্ধাৰিত দৰত ক্ৰয় কৰিব। কেৱল এই উদ্যোগটোৰ জৰিয়তে প্ৰায় ৫ হাজাৰ কৃষক পৰিয়াল পোনপটীয়াকৈ উপকৃত হ'ব পাৰিব। যদি কৃষকে পৰ্যাপ্ত আলু উৎপাদন কৰিব পাৰে, তেন্তে ভৱিষ্যতে অসমত এই ধৰণৰ বৃহৎ কাৰখানা স্থাপনৰ পথ মুকলি হ'ব বুলিও তেওঁ সদৰী কৰে। কৃষকসকলৰ সুৰক্ষা আৰু আৰ্থিক সকাহৰ বাবে অসম চৰকাৰে গ্ৰহণ কৰা সুনিৰ্দিষ্ট পদক্ষেপৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰাকৃতিক দুৰ্যোগ, অতিপাত বৰষুণ বা বানৰ ফলত হোৱা ক্ষতিৰ পৰা কৃষকক সকাহ দিবলৈ কৃষি বিভাগে এই বিশেষ আলু খেতিক 'ফচল বীমা যোজনা'ৰ আওতালৈ আনিব। দ্বিতীয়তে, খেতিৰ বাবে প্ৰথমবাৰৰ উন্নত জাতৰ বীজ ক্ৰয়ৰ সুবিধাৰ্থে কৃষকসকলক কিষাণ ক্ৰেডিট কাৰ্ডৰ জৰিয়তে সাহায্য প্ৰদানৰ উদ্দেশ্যে অসম চৰকাৰ, পেছিকো আৰু ষ্টেট বেংক অৱ ইণ্ডিয়াৰ মাজত ত্ৰিপাক্ষিক বুজাবুজি চুক্তি সম্পন্ন কৰা হৈছে। তৃতীয়তে, চৰকাৰৰ ফালৰ পৰাও কৃষকক অতিৰিক্ত আৰ্থিক সাহায্য বা ৰাজসাহায্য আগবঢ়োৱাৰ বিষয়ে চৰকাৰে চিন্তা-চৰ্চা চলাই আছে। একেদৰে দুগ্ধ খণ্ডৰ প্ৰসংগ উত্থাপন কৰি তেওঁ কয় যে বহিঃৰাজ্যৰ পৰা গাখীৰ অনাৰ পৰিৱৰ্তে ৰাজ্যৰ গাঁৱে গাঁৱে দুগ্ধ সমবায় সমিতি গঠন কৰি প্ৰতি লিটাৰ গাখীৰত চৰকাৰৰ তৰফৰ পৰা ৫ টকাকৈ ৰাজসাহায্য প্ৰদান কৰা হৈছে আৰু এই সাহায্য আৰু বৃদ্ধি কৰাৰ পৰিকল্পনা কৰা হৈছে। বজালীত দৈনিক আঢ়ৈ লাখ লিটাৰ গাখীৰ সংসাধন কৰিব পৰা এক বিশাল প্ৰকল্প স্থাপনৰ সিদ্ধান্ত লোৱা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। এই উদ্বোধনী অনুষ্ঠানত বিত্তমন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, দক্ষতা বিকাশ, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী তথা নলবাৰী জিলাৰ অভিভাৱক মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, বিধায়ক চন্দ্ৰমোহন পাটোৱাৰী, নাৰায়ণ ডেকা আৰু তৰংগ গগৈৰ উপৰি প্ৰশাসনৰ উচ্চপদস্থ বিষয়া, পেছিকো ইণ্ডিয়াৰ ভাৰত তথা দক্ষিণ এছিয়াৰ মুখ্য কাৰ্যবাহী বিষয়া জাগ্ৰত কোতেচাকে ধৰি উদ্যোগটোৰ প্ৰতিনিধিবৰ্গ আৰু সহস্ৰাধিক স্থানীয় কৃষক ৰাইজ উপস্থিত থাকে।

# অহা ফেব্ৰুৱাৰীত প্ৰথমবাৰলৈ

বিবেচিত হৈছে। উল্লেখ্য যে গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় মাৰাথনৰ উদ্বোধনী সংস্কৰণত বিভিন্ন পৰ্যায়ৰ দৌৰবিদক সামৰি মুঠ পাঁচটা শাখাত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সেইসমূহ হৈছে-মাৰাথন-৪২.১৯৫ কিলোমিটাৰ, হাফ মাৰাথন- ২১.০৯৭ কিলোমিটাৰ, ১০ কিলোমিটাৰ দৌৰ, ৫ কিলোমিটাৰ দৌৰ আৰু ১.৫ কিলোমিটাৰ দৌৰ। অহা ৰৰ ছেপ্টেম্বৰৰ পৰা মাৰাথনৰ পঞ্জীয়ন আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই ইতিমধ্যে গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় মাৰাথনৰ প্ৰথমগৰাকী পঞ্জীয়নভুক্ত অংশগ্ৰহণকাৰী হিচাপে নাম পঞ্জীয়ন কৰিছে। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এনে এখন আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাই গুৱাহাটীক বিশ্ববাসীৰ সন্মুখত তুলি ধৰাৰ লগতে মহানগৰখনক বিশ্বৰ এখন গুৰুত্বপূৰ্ণ ভ্ৰমণস্থান হিচাপে প্ৰতিষ্ঠা কৰিব। তেওঁ কয় যে এই মাৰাথনে অসমত ক্ৰীড়া পৰ্যটনকো যথেষ্ট উদগনি যোগাব। এই প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ লগতে বিদেশৰ পৰাও অংশগ্ৰহণকাৰী দৌৰবিদ আৰু দৰ্শক আহিব। ফলত গুৱাহাটীৰ ঐতিহ্য, সংস্কৃতি আৰু পৰ্যটনস্থলীসমূহ বৃহৎ পৰিসৰত তুলি ধৰাৰো সুযোগ সৃষ্টি হ'ব। ড° শৰ্মাই কয় যে গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় মাৰাথন অসমে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া আয়োজনৰ ক্ষেত্ৰত প্ৰকাশ কৰা ক্ৰমবৰ্ধমান আকাংক্ষাৰ এক গুৰুত্বপূৰ্ণ প্ৰতিফলন। তেওঁ লগতে কয়, 'গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া আয়োজনৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে পৰিগণিত হোৱাটোৱে আমাৰ ৰাজ্যখনৰ পৰিৱৰ্তিত পৰিচয় আৰু ক্ৰমবৰ্ধমান আকাংক্ষাৰ সাক্ষ্য বহন কৰিছে।' এই মাৰাথনত অসমবাসী, বিশেষকৈ গুৱাহাটীবাসীক অংশগ্ৰহণৰ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয়, 'আমি ইয়াক সুস্বাস্থ্য, ক্ৰীড়াসুলভ মনোভাব আৰু গুৱাহাটীৰ উদ্যমী প্ৰাণশক্তিৰ এক উৎসৱ হিচাপে গঢ়ি তোলোঁ আহক।' তেওঁ উদ্বোধনী সংস্কৰণত হাজাৰ হাজাৰ লোকে অংশগ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰে। আয়োজকসকলৰ প্ৰতি কৃত:তা জ্ঞাপন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই এই সন্মানীয় ক্ৰীড়া প্ৰতিযোগিতা গুৱাহাটীত আয়োজন কৰা বাবে আয়োজক পিএমজি আৰু এই পদক্ষেপৰ মূল ব্যক্তি সুনীল মনোহৰ গাভাস্কাৰক ধন্যবাদ জ্ঞাপন কৰে।

# বিশেষভাৱে সক্ষম

উপহাৰ গ্ৰহণ কৰাৰ লগতে সৌজন্যমূলক বাৰ্তালাপ কৰে। এই সন্দৰ্ভত সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে লিখিছে- কোনে কয়, বয়সত ডাঙৰসকলে সৰুসকলৰ পৰা শিকিব লগা নাই বুলি ! শিকাৰ কোনো সময় নাই, বয়স নাই। কালি আদিংগিৰিলৈ যাওঁতে বাটত লগ পাইছিলোঁ এগৰাকী সাহসী ভাগিনীক। প্ৰতিবন্ধকতাই ৰুদ্ধ কৰিব নোৱাৰা ভাগিনীজনীয়ে পেৰা গেমছত ৰাষ্ট্ৰীয় সোণৰ পদক বোটলাৰ সমান্তৰালভাৱে সফলতাৰে আগুৱাই নিছে নিজৰ উচ্চ শিক্ষা। ভাগিনীজনীৰ সেই ক্ষন্তেকীয়া সান্নিধ্যই বহু কথাই শিকাই থৈ গ'ল। তেওঁক আশীৰ্বাদ দি গন্তব্য স্থানলৈ পুনৰ আগবাঢ়িছিলোঁ, মনত এক নতুন শক্তি লৈ।

# জুবিন হত্যা গোচৰত

তিনিজন প্ৰবাসী অসমীয়াই সাক্ষ্য প্ৰদান কৰিছে। ইতিপূৰ্বে পৰীক্ষিত শৰ্মা আৰু সুস্মিতা গোস্বামীয়ে নিজৰ নিজৰ সাক্ষ্য প্ৰদান কৰিছে। ইফালে ৰাজ্যৰ একাংশ সংবাদ মাধ্যমত প্ৰতিম লহকৰে বিএনএছএছৰ ১৮৩ ধাৰাত দিয়া জবানবন্দীৰ প্ৰতিলিপি আৰু ভাষ্য প্ৰকাশ হোৱাত ক্ষুব্ধ হৈছে ফাষ্টট্ৰেক আদালতত। বিষয়টোত গুৰুত্ব আৰোপ কৰি আদালতে সংবাদ মাধ্যমত প্ৰচাৰিত আদালতৰ তথ্য বুলি গণ্য কৰি তাক তৎকালে বন্ধ কৰাৰ নিৰ্দেশ দিয়াৰ লগতে অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগক তদন্তৰ নিৰ্দেশ দিছে।

# শংকৰদেৱ কলাক্ষেত্ৰত

কয়- অহা ১৯ ছেপ্টেম্বৰত জুবিন গাৰ্গৰ মৃত্যু তিথিৰ দিনা বিজেপিয়ে ৰক্তদানৰ জৰিয়তে এই দিনটো পালন কৰিব। ৰাজ্যৰ বিভিন্ন বিজেপিৰ কাৰ্যালয় আৰু নিৰ্ধাৰিত স্থানত ব্যাপক ৰক্তদান কাৰ্যসূচী অনুষ্ঠিত কৰি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাজহুৱা জীৱনৰ ২৫ বছৰীয়া সেৱা যাত্ৰাৰ কথা উল্লেখ কৰি ড° শৰ্মাই কয় যে ২০০১ চনৰ ৭ অক্টোবৰ তাৰিখে গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পৰা আৰম্ভ কৰি মোদীয়ে নিৰন্তৰভাৱে দেশ আৰু জনসাধাৰণৰ সেৱাত নিজকে উৎসৰ্গা কৰি আহিছে। এই দীঘলীয়া সেৱা যাত্ৰাক সন্মান জনাই অসমতো ১৭ ছেপ্টেম্বৰৰ পৰা ১৭ অক্টোবৰ, ২০২৬ লৈ সেৱা সংকল্প অভিযান জন সেৱাই নাৰায়ণ সেৱা শীৰ্ষক মাহজোৰা কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত ৰাজনৈতিক প্ৰস্তাৱ পাঠ কৰে বিধায়ক দীপ্লু ৰঞ্জন শৰ্মাই আৰু সমৰ্থন আগবঢ়ায় মন্ত্ৰী নীলিমা দেৱী, ৰাজ্যিক সম্পাদক অভিজিত নাথে। সভাত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, অশোক সিংহল, অজন্তা নেওগ, ডাঃ ৰণোজ পেগু, দলৰ সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজু, নৱনিযুক্ত সম্পাদক হৰিশ দ্বিবেদীকে ধৰি কেইবাজনো জ্যেষ্ঠ নেতা উপস্থিত থাকে।

# ৫ বছৰত প্ৰতিশ্ৰুতি

সন্মিলনতো বিভিন্ন বিভাগত পদোন্নতি খৰতকীয়া কৰাৰ বাবে আলোচনা কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয়-প্ৰমোচন বৃদ্ধি হ'লে দলৰ পদ যথেষ্ট খালী হ'ব। বৰ্তমান আমি ৰ লাখ ৩০ হাজাৰ খালী পদ সাজু কৰি ৰাখিছোঁ আৰু ৬৫ হাজাৰ খালী পদ মোক লাগে। ইয়াৰ বাবে আমি চেষ্টা কৰি আছোঁ, যাতে ২ লাখ খালী পদৰ লক্ষ্য সম্পূৰ্ণ কৰিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে ইয়াকো স্পষ্ট কৰে যে পৰ্যায়ক্ৰমে নিযুক্তিসমূহ চলি থাকিব। কিয়নো একেটা বৰ্ষতে সকলোকে নিযুক্তি দিলে বহু যোগ্য প্ৰাৰ্থী বঞ্চিত হ'ব। গতিকে অহা ৫ বছৰত মোৰ লক্ষ্য হ'ল চ লাখৰ আশে-পাশে নিযুক্তি দিয়া। মন কৰিবলগীয়া যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰথমটো কাৰ্যকালত ১.৬৪ লাখ যুৱক-যুৱতীক চৰকাৰী পদত নিযুক্তি দিয়া হৈছিল। ২০২১ চনৰ বিধানসভা নিৰ্বাচনৰ সময়ত ৰ লাখ চৰকাৰী পদত নিযুক্তি দিয়াৰ বাবে বিজেপিয়ে দিয়া প্ৰতিশ্ৰুতি অনুসৰি মুখ্যমন্ত্ৰী ড° শৰ্মাৰ প্ৰথমটো কাৰ্যকালত ১ লাখ অতিক্ৰম কৰি মুঠ ১, ৬৪, ৪০০টা পদত যুৱক-যুৱতীক নিযুক্তি দিয়া হৈছিল। সৰ্বাধিক নিযুক্তি হৈছিল শিক্ষা আৰু গৃহ বিভাগত। একেই লক্ষ্যৰে দ্বিতীয়টো কাৰ্যকালৰ বাবে চৰকাৰ গঠনৰ পাছতে ২ লাখ চৰকাৰী পদত নিযুক্তি দিয়াৰ বাবে মুখ্যমন্ত্ৰীয়ে নিৰ্বাচনৰ সময়ত কৰা ঘোষণাক কাৰ্যকৰী কৰাৰ লক্ষ্যৰে কেবিনেটত এই সন্দৰ্ভত গ্ৰহণ কৰে সিদ্ধান্ত। সেইমৰ্মে মুখ্য সচিবৰ নেতৃত্বত গঠন কৰা হয় টাস্ক ফৰ্চ। এই টাস্ক ফৰ্চে যোৱা সময়ছোৱাত বিভিন্ন বিভাগত খালী হৈ থকা অথবা অহা সময়ছোৱাত খালী হ'ব পৰা পদ সন্দৰ্ভত ইতিমধ্যে প্ৰতিবেদন দাখিল কৰিছে। এইপ্ৰতিবেদনৰ ওপৰত ভিত্তি কৰিয়েই ৰাজ্য চৰকাৰে ২০২৭চনৰ বিত্তীয় বৰ্ষৰ পৰা বিভিন্ন বিভাগৰ খালী পদৰ বিপৰীতে বিজ্ঞাপন প্ৰকাশ কৰাৰ সম্ভাৱনা আছে।

**ENGLISH NEWS SECTION**

# Governor attends National Security Awareness programme and NCC Alumni Meet at Tezpur University



Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya today attended the National Security Awareness Programme and NCC Alumni Meet, organised by the NCC Directorate, North Eastern Region, at the KBR Auditorium, Tezpur University and called upon the youth to imbibe the spirit of 'Nation First'. Speaking on the occasion the Governor said that love for the nation must find expression in responsible citizenship, respect for the Constitution, protection of national unity and integrity, and a resolute commitment to India's democratic values. He said that national security is not confined to safeguarding the country's borders but is a collective responsibility of every citizen, encompassing cyber security, economic and energy security, disaster preparedness, social harmony and the protection of public institutions. Describing the NCC as a powerful institution for character-building and nation-building, Shri Acharya said that discipline, leadership, courage and a spirit of service cultivated among NCC cadets could inspire young people to contribute meaningfully to the nation's progress and security. He urged NCC alumni to mentor the younger generation and remain actively engaged in community service and public awareness. Referring to the changing nature of security in the digital age, the Governor stressed the need for technological awareness and responsible digital behaviour among youth. The Governor highlighted the strategic importance of border areas and described border villages as living sentinels of India's sovereignty, culture and national spirit. He also referred to the Vibrant Villages Programme and called for greater youth engagement in strengthening border communities.

# Governor Shri Acharya inaugurates National Conference on Natural Farming



Guwahati, RB News : Assam Governor Shri Lakshman Prasad Acharya today called for sustained, coordinated and collective efforts by farmers, scientists, agricultural institutions, entrepreneurs, policymakers and governments to make Natural Farming economically viable and transform it into a broad-based people's movement. Inaugurating the three-day National Conference on 'Natural Farming: Pathways to Self-Reliant Farming and Rural Prosperity (NCNF 2026)' at the College of Post Graduate Studies in Agricultural Sciences, Umiam, Meghalaya, the Governor said that Natural Farming must evolve beyond an agricultural practice into a sustainable and economically viable model of agriculture capable of strengthening rural livelihoods and fostering self-reliance. Shri Acharya observed that Natural Farming is deeply rooted in India's civilisational and agricultural traditions and has assumed renewed significance in the context of sustainable development. He underscored the need to promote farming practices that conserve soil health, water resources and biodiversity, while ensuring long-term productivity and resilience. He stressed that traditional agricultural wisdom must be strengthened and enriched through modern science, research and innovation. Highlighting the immense agricultural potential of the Northeast, the Governor said that the region, with its rich biodiversity, abundant natural resources and diverse agro-climatic conditions, is uniquely placed to emerge as a model for sustainable and natural farming. He pointed to the growing national and international recognition of the region's distinctive agricultural products through Geographical Indication (GI) tags, including Assam's Joha Rice, Boka Rice, Kaji Nemu and Karbi Anglong Ginger, as well as several other unique products from across the Northeastern States.

# India reach Men's Hockey Junior Asia Cup final



RB News: The Indian junior men's hockey team produced a composed and determined performance to defeat Malaysia 3–1 in the first semifinal of the AHF Junior Asia Cup 2026, booking their place in the final for the fourth consecutive time. Captain Anmol Ekka once again led from the front, scoring twice from penalty corners to take his tournament tally to 16 goals, cementing his position as the top scorer. His drag-flicks proved decisive in breaking Malaysia's resistance. Equally influential was goalkeeper Vivek Lakra, who was named Player of the Match.The defending champions, chasing a fourth consecutive and sixth overall title, will face the winners of the second semi-final between Pakistan and South Korea.

# India beat Bangladesh by 40 runs to reach Women's T20 Asia Cup final



RB News: India continued their unbeaten run and reached their sixth final in six editions of the Women's T20 Asia Cup after beating Bangladesh by 40 runs in the semi-final at Dubai International Cricket Stadium on Thursday. Asked to bat first, India posted a total of 149/6, powered by Player of the Match Shafali Verma's aggressive 64 off 40 deliveries. In reply, Bangladesh struggled to build momentum against India's spin attack on a sluggish Dubai surface. Off-spinner Deepti Sharma led the bowling unit with figures of 3/26, while Nandani Sharma chipped in with 2/10 in the closing overs to restrict Bangladesh to 109/7. Shorna Akter top-scored for Bangladesh with an unbeaten 22. India remain undefeated in the tournament and advance to the summit clash scheduled for September 13 against either Sri Lanka.

# শংকৰোৎসৱে হৃদয়ত বিলাই

অসমীয়া জাতিক জীয়াই ৰখা মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱ আৰু শ্ৰী শ্ৰী মাধৱদেৱ দুয়োজনাই হৰি, নাম ধৰ্মৰে বৈষম্যহীন সমাজ প্ৰতিষ্ঠা কৰি ভগৱান শ্ৰী কৃষ্ণৰ লীলা সমুহেৰে ভক্তিৰ ৰস সাগৰ বোৱাইছিল। ভক্তগণৰ মাজত ভক্তিৰস প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ লগতে শ্ৰীমন্ত মাধৱদেৱ গুৰুজনাই সাধাৰণ জনগণৰ বোধগম্য হ'ব পৰাকৈ নিজৰ সৃষ্টি ৰাজিৰে কীৰ্ত্তনঘোষা আৰু শ্ৰী শ্ৰী মাধৱদেৱ গুৰুজনাই নামঘোষা ৰচনা কৰিছিল ।শংকৰদেৱ গুৰু জনাৰ কীৰ্ত্তনঘোষাত ভগৱানৰ চতুৰ্ৱিংশতি অৱতাৰৰ কথা বৰ্ণনা কৰি পিছত নামাপৰাধ দেখুৱাইছে ।

ভগৱান শ্ৰী কৃষ্ণৰ শান্ত সৌম্য ৰূপ বৰ্ণনাৰে নাম কীৰ্তনৰে যে পাপ মোচন কৰিব পাৰি তাৰো সুন্দৰ বৰ্ণনা আমাক দিছে ।ভকতৰ ভয়, সংকট কালত হৰি নামেৰে উদ্ধাৰ হোৱাৰ কথা গজেন্দ্ৰোপাকখাণত উল্লেখ কৰে। ভক্তগণৰ ভগৱানৰ প্ৰতিশ্ৰদ্ধা, ভক্তিৰ উদাহৰণ প্ৰহ্লাদ চৰিত্ৰ আৰু অহংকাৰে বলিচলনত দৰ্পচূৰ্ণ হোৱা কথা দাঙি ধৰিছে।

শংকৰী ক'লা কৃষ্টিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই কীৰ্তনঘোষাত শ্ৰীকৃষ্ণৰ লীলা সমুহো উল্লেখ কৰে। এক শৰণ বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ বাবে বিভিন্ন ঠাইত ঘূৰি ফুৰিব লগিয়া হোৱাত কীৰ্তন পুথি খনৰ ভাগ সমুহ বিভিন্ন ঠাইত ৰচনা কৰিছিল ।গুৰুজনাই বৈকুণ্ঠগামী হোৱাৰ পিছত হে সেই খণ্ড সমুহ সগ্ৰহ কৰি কীৰ্তন ঘোষা খন প্ৰস্তুত কৰা হয় ।

"ঘোষা নামে শাস্ত্ৰখনি তুমিও লিখিবা
ঘোষা ৰত্নাৱলী মধ্যে তুমিও থাকিবা"

অসমীয়া সাহিত্যৰ অন্যতম শ্ৰেষ্ঠ কৃৰ্তি স্তম্ভ নামঘোষা। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ প্ৰিয় শিষ্য শ্ৰীশ্ৰী মাধৱদেৱ গুৰুজনাৰ অৱদানো উল্লেখযোগ্য । তেখেতে হেজাৰী ঘোষা বা নাম-ঘোষাৰ জড়িয়তে শংকৰদেৱ গুৰুজনাৰ প্ৰতি থকা তেওঁৰ ভক্তিৰ মাৰ্গৰ নিদৰ্শন দাঙি ধৰাৰ লগতে ভগৱান শ্ৰীকৃষ্ণৰ লীলা সমুহ প্ৰকাশ কৰে ।নাম-ঘোষা সংকলন কৰোতে চৈধ্য বছৰ ছয় মাহ সময় লাগিছিল ।এই নাম-ঘোষাত গুৰুজনাই তিনিটা প্ৰকাৰে সংকলন কৰিছিল বুলি জনা যায় ।

১) গুৰু সেৱা কৰি মই যিবা সত্য পালোঁ ।
সমস্তকে আনি মই ঘোষা শাস্ত্ৰত লিখিলোঁ।।
২) শাস্ত্ৰ বিচাৰিয়া মই যিবা তত্ব পালোঁ ।
সমস্তকে আনি মই ঘোষা শাস্ত্ৰত লিখিলোঁ।।
৩) হৃদিশ্বৰ উপদেশে যিবা সত্য পাইলোঁ ।
সমস্তকে আনি ঘোষা শাস্ত্ৰে নিবন্ধিলোঁ।।

নাম -ঘোষা শব্দটো হৈছে দুটা শব্দৰ সংযোজন। নাম শব্দটোৱে একমাত্ৰ ভগৱান শ্ৰীকৃষ্ণৰ নামৰ কথা বুজাইছে আৰু ঘোষা শব্দটোৱে ডাঙৰকৈ গোৱা বা মাতা বুজাইছে। ভগৱানৰ নাম গুণ সুললীত কণ্ঠৰে শুৱলাকৈ সুন্দৰ ভাবে গাৱাকে নাম ঘোষা বুলি কোৱা হয়।নামঘোষাত গুৰু, দেৱ, নাম, ভকত এই চাৰিটা বিষয় বস্তু পোৱা যায় ।নাম-ঘোষা বিবিধ চন্দৰ প্ৰয়োগ, শব্দৰ সংয়োজন, ভাষাৰ গাম্ভীৰ্য্যতা, সুৰৰ লালিত্য ধ্বনীৰে পুথিখন অধিক জনপ্ৰিয়। একশৰণীয়া মহাপুৰুষীয়া পৰম্পৰাবোৰ নামঘোষাৰ মাজেৰে শ্ৰীমন্ত মাধৱদেৱ গুৰুজনাই প্ৰকাশ কৰা দেখা যায় ।

মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো
ৰস ময় মাগোহো ভকতি।
সমস্তক মস্তক মনি নিজ ভকতৰ বৈশ্য
ভজো হেন দেৱ যদুপতি ।।

প্ৰাপ্তিক উলংঘা কৰি মুক্তি অবজ্ঞাৰ ভক্তি আচৰণেৰে মহাপুৰুষ মাধৱদেৱ গুৰু জনাই ভকতক হে নমস্কাৰ জনাই ভকতৰ মাজত ভক্তিৰ ৰস বিচাৰিছে।নামঘোষাৰ প্ৰতিটো ঘোষাৰ মাজত ভক্তিৰ অমিয় সুৰেৰে ভগৱানৰ দশ অৱতাৰৰ প্ৰতিটো ৰূপ ব্যখ্যা কৰি ভক্ত গনক নিৰ্গুণ, নিৰাকাৰ প্ৰভু ভগৱন্তৰ ভক্তিৰসৰ মৌ প্ৰাণ কৰাইছে । তাৰ উপৰিও গুৰুক ভকতৰ ত্ৰাণ কৰ্তা ৰূপে নিৰোপন কৰে। শ্ৰীশ্ৰী মাধৱদেৱ গুৰুজনাই ভকত বৈষ্ণৱ সকলৰ মাজত শ্ৰীশ্ৰী শংকৰদেৱ গুৰুজনাক ঈশ্বৰৰ লগত তুলনা কৰি ভগৱানৰে ৰূপ বুলি উল্লেখ কৰা দেখা যায় ।অকল যে নামঘোষাতে তেৰাই কৃষ্ণ লীলা প্ৰকাশ কৰিছিল তেনে নহয় তেখেতৰ ন খন কৈ অংকীয়া নাট লিখি বাল্যকালৰ শ্ৰীকৃষ্ণ আৰু মাতৃ যশোদাৰ যি পুত্ৰ স্নেহ তাকো খুব সুন্দৰ কৈ প্ৰকাশ কৰাৰ লগতে শ্ৰী কৃষ্ণৰ বিভিন্ন সময়ৰ বিভিন্ন অলৌকিক কাৰ্যক লৈ ভক্তিৰ ৰসেৰে নাটবোৰত শ্ৰী কৃষ্ণৰ মাহাত্ম প্ৰকাশ কৰে ।

মুঠতে কীৰ্তন দশমৰ মাজত শংকৰ দেৱ আৰু ঘোষা ৰত্নাৱলীৰ মাজত মাধৱদেৱ গুৰুদুয়োজনাৰ অনবদ্য ৰচনা সৰ্বকালৰ সৰ্বশক্তিমান ।বৈষ্ণৱ ধৰ্মৰ প্ৰধান ধৰ্ম গুৰু শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীমন্ত মাধৱদেৱ দুয়োজনা। গুৰুৱে গীত, বাদ্য, নৃত্যৰ লগতে নাটক, ঘোষা, সমুহেৰে হৰি নাম ধৰ্মৰে বৈষ্ণৱ সমাজক আকৰ্ষিত কৰি হৰি বিনে জীৱন অসাৰ তাক বুজাই দিছে। অসমীয়া জাতিৰ সাহিত্য সংস্কৃতিৰ ত্ৰাণকৰ্তা দুয়োজনাগুৰুৰ অভয় চৰণত শৰণ লভিলোঁ।

# 'চাপৰিলে মেঘ নেৰায়'

আমি মাতৃ সমাজে আহ্বান জনাওঁ, নিচা যুক্তদ্ৰব্যৰ বেহা বন্ধ কৰক, বেছি ধনৰ লোভে এটা জাতি, এখন দেশ ধ্বংস কৰিব ।চৰকাৰে অধিক তৎপৰ ভাৱে এই নিচা সাম্ৰাজ্যৰ ক'লা সম্ৰাটক নিঃশেষ কৰক, এই ধৰণৰ সকলো আইন কাৰ্যকাৰী কৰি প্ৰজন্মক সুৰক্ষা কৰক, প্ৰাথমিক বিদ্যালয়ৰ পাঠ্যক্ৰমৰ পৰা উচ্চ পৰ্যায়ৰ পাঠত এই বিষয়ৰ নেতিবাচক প্ৰভাৱ মুকলিকৈ আলোচনা কৰাৰ লগতে স্বাস্থ্য সচেতনতা পাঠ বাধ্যতামূলক হোৱা উচিত বুলি ভাৱো, ৰেডিঅ' ইলেকট্ৰনিক বা ছপা প্ৰচাৰ মাধ্যম, সাহিত্য সভা, দল সংগঠনে, মহিলা আনুষ্ঠান সকলোৱে একক ভাৱে আগবাঢ়ি আহিলে সমস্যা এটা সমস্যাহৈ নাথাকে। আমাক আমাৰ সন্তান মানুহ কৰাৰ বাবে এখন নিচা মুক্ত সমাজ উপহাৰ দিয়ক। আমি আশাবাদী আকৌ নতুন প্ৰভাত হ'ব...।

# মোৰো কেতিয়াবা কবি হ'বলৈ মন যায়



যমুনা দুলু বৈশ্য,গুৱালকুছি

নিভাঁজ প্ৰেমৰ জখলতা উঠি
ৰংচঙীয়া পৃথিৱীৰ ভাল লগা ভাৱনাৰে
সৃষ্টিশীল কৰ্মৰে সুৰতে সুৰ মিলাই
মৃদু সমীৰণৰ স'তে...
কেতিয়াবা মনে লৈ যায়... ঐ
বহুদূৰলৈ ...
শবদৰে আকাশ ধিয়াই । ।
মায়াবিনী জোনাকত দুখবোৰ খামুচি
নোপোৱাৰ দিনৰে পৰা ওমলো
সঠিক উত্তৰ বিচাৰি,
স্বৰ্তস্ফূৰ্ট ভাৱে...
মনৰ অনুভৱত কাপ নিগৰাই,
ঢালি দিয়ে বুকু জুৰাই
কবিতা লিখিবলৈ,
মধুময় সময়ক লৈ...
কবি হিচাপে নিজকে চিনাকি দিবলৈ
নিঃস্বাৰ্থ ভাৱে দেখো,
ধৰিত্ৰীৰ সকলো দিশে সুন্দৰ...!!
জীৱনৰ আশাৰ সপোনকে লৈ
উজ্জীৱিত কৰো,
আত্মানুসন্ধানৰে...
ছাঁ আৰু পোহৰৰ সন্ধানত,
নতুনত্বৰ চিন্তাৰে...
মোক দংশন কৰে!!
শব্দ আৰু অনুভূতিৰে
পৰশ বিচাৰি পাওঁ
উপলব্ধিৰ অমুল্য ধাৰাৰে
ৰূপান্তৰিত কৰো...
মন-মগজুৰ যাত্ৰাৰে
জোনাকৰ সেই যে...,
লুংলুঙীয়া বাটেৰে ...
নিঃশব্দে,
ৰং-বিৰঙৰ, সাজ পিন্ধি
নিশাৰ আন্ধাৰত কথাপাতে,
অজানিতে, পুলকিত কৰে
তেতিয়া...হৃদয়ে বিচাৰে,
এটুপি চিয়াহীৰে লিখিবলৈ
এনেকৈয়ে...।।।
মোৰো কেতিয়াবা
কবি হ'বলৈ মন যায় ।

ৰঙিলী বাৰ্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286

## নৱম ৰাষ্ট্ৰীয় পোষণ মাহ, ২০২৬ উপলক্ষে

# পুষ্টিহীনতা দূৰীকৰণ আৰু পোষণ মাহ



**দ্বীপেন বৰুৱা**

এটি শিশুৱে মাতৃৰ গৰ্ভত থিতাপি লোৱাৰ পৰা প্ৰায় দুবছৰ বয়সলৈকে লাভ কৰা পুষ্টি আৰু যত্নই তাৰ শাৰীৰিক বৃদ্ধি, মগজুৰ বিকাশ, শিকাৰ ক্ষমতা আৰু ভৱিষ্যৎ কৰ্মদক্ষতাৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলায়। ঠিক একেদৰে গৰ্ভৱতী মহিলা আৰু প্ৰসূতি মাতৃৰ পুষ্টিৰ অৱস্থাই মাতৃৰ স্বাস্থ্যৰ লগতে নৱজাতকৰ সুস্থতা আৰু পৰৱৰ্তী জীৱনৰ ভেটি নিৰ্ধাৰণ কৰে। কিন্তু পৰিতাপৰ কথা এয়ে যে ভাৰতত খাদ্য-সুৰক্ষা আৰু জনসাধাৰণৰ খাদ্য লাভৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি হোৱা সত্ত্বেও পুষ্টিহীনতা এতিয়াও এক গুৰুত্বপূৰ্ণ জনস্বাস্থ্য সমস্যা হৈ আছে। বহু পৰিয়ালত খাদ্যৰ পৰিমাণৰ তুলনাত খাদ্যৰ গুণগত মান আৰু বৈচিত্ৰ্যৰ ক্ষেত্ৰত তাৰতম্য দেখা যায়। চাউল বা অন্যান্য শস্যকেন্দ্ৰিক খাদ্যৰ প্ৰাধান্য, পৰ্যাপ্ত দাইল-জাতীয় খাদ্য, কণী, গাখীৰ, বাদাম, বীজ, শাক-পাচলি আৰু ফলমূলৰ অভাৱ, ৰক্তহীনতা আদি সমস্যাই এই প্ৰত্যাহ্বানক অধিক জটিল কৰি তুলিছে। এই পৰিস্থিতিত পুষ্টিক কেৱল এক ব্যক্তিগত বিষয় হিচাপে গণ্য নকৰি সমাজ আৰু চৰকাৰৰ যৌথ দায়িত্ব হিচাপে আগবঢ়াই নিয়াৰ প্ৰয়োজনীয়তা আহি পৰিছে। সেই উদ্দেশ্যে ২০১৮ চনৰ ৮ মাৰ্চত কেন্দ্ৰীয় চৰকাৰে ৰূপায়ণ কৰা পোষণ অভিযানে (POSHAN Abhiyaan) দেশৰ পুষ্টি-চৰ্চাক এক নতুন মাত্ৰা প্ৰদান কৰিছে। প্ৰতি বছৰে ছেপ্টেম্বৰ মাহত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় পোষণ মাহে এই বৃহৎ অভিযানক জনসাধাৰণৰ ওচৰলৈ লৈ যোৱাত এক গুৰুত্বপূৰ্ণ মাধ্যম হিচাপে কাম কৰি আহিছে।

২০২৬ বৰ্ষত ৰাষ্ট্ৰীয় পোষণ মাহে নৱম বৰ্ষত উপনীত হৈছে। প্ৰতি বৰ্ষতেই পোষণ মাহৰ এক নিৰ্দিষ্ট বিষয়বস্তু থাকে। এই বৰ্ষৰ মূল বিষয়বস্তু হ'ল- “আমাৰ অংগনৱাড়ী, আমাৰ দায়িত্ব” (Hamari Anganwadi, Hamari Jimmedari)। এই শ্লোগানৰ মাজতে এইবাৰৰ পোষণ মাহৰ মূল দৰ্শন নিহিত হৈ আছে। অৰ্থাৎ অংগনৱাড়ী কেন্দ্ৰ কেৱল চৰকাৰী সেৱা প্ৰদানৰ স্থান নহয়; ই এখন গাঁও বা এলেকাৰ শিশু, মাতৃ আৰু পৰিয়ালৰ পুষ্টি, যত্ন, শিক্ষা আৰু সুস্থ ভৱিষ্যতৰ কেন্দ্ৰবিন্দু। সেয়ে অংগনৱাড়ী কেন্দ্ৰৰ মান উন্নত কৰা আৰু তাৰ সেৱাৰ প্ৰতি নজৰ ৰখাটো কেৱল চৰকাৰ বা অংগনৱাড়ী কৰ্মীৰ দায়িত্ব নহয়, সমাজৰো দায়িত্ব আছে।

পুষ্টি হৈছে এক বহুমাত্ৰিক বিষয়। খাদ্যৰ সৈতে স্বাস্থ্য, মাতৃৰ পুষ্টি, পৰিষ্কাৰ-পৰিচ্ছন্নতা, শিশুৰ যত্ন, দুগ্ধপান, পৰিপূৰক আহাৰ, ৰক্তহীনতা প্ৰতিৰোধ, টিকাকৰণ, প্ৰাথমিক স্বাস্থ্যসেৱা, শিক্ষা আৰু সামাজিক-আৰ্থিক পৰিস্থিতি আদি সকলো বিষয় পৰস্পৰৰ সৈতে সম্পৰ্কিত। এই আন্তঃসম্পৰ্কক স্বীকাৰ কৰি পোষণ অভিযানত বিভিন্ন মন্ত্ৰালয় তথা বিভাগৰ মাজত সমন্বয় স্থাপনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। অংগনৱাড়ী কেন্দ্ৰৰ জৰিয়তে শিশু, গৰ্ভৱতী মহিলা আৰু প্ৰসূতি মাতৃসকললৈ পুষ্টি আৰু অন্যান্য সেৱা আগবঢ়োৱাৰ লগতে পৰিয়াল আৰু সমাজৰ মাজত পুষ্টি সম্পৰ্কীয় সচেতনতা বৃদ্ধি কৰাও এই অভিযানৰ অন্যতম উদ্দেশ্য। পোষণ মাহে এই উদ্দেশ্যক এক জন-আন্দোলনৰ ৰূপ দিয়াৰ সুযোগ সৃষ্টি কৰে। এই সময়ছোৱাত ৰন্ধন প্ৰদৰ্শনী, পোষণ মেলা, স্বাস্থ্য আৰু পুষ্টি সম্পৰ্কীয় আলোচনা, শিশুৰ বৃদ্ধি নিৰীক্ষণ, পৰামৰ্শদান, স্থানীয় খাদ্যৰ প্ৰদৰ্শন, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু প্ৰাৰম্ভিক শিশুযত্নৰ দৰে নানান কাৰ্যসূচীৰ জৰিয়তে পুষ্টিক সৰ্বসাধাৰণ ৰাইজৰ মাজলৈ লৈ যোৱাৰ প্ৰয়াস কৰা হয়।

ভাৰতৰ পুষ্টিৰ অৱস্থা বুজিবলৈ ৰাষ্ট্ৰীয় পৰিয়াল আৰু স্বাস্থ্য সমীক্ষা (NFHS)-ৰ তথ্য অতি গুৰুত্বপূৰ্ণ। পঞ্চম NFHS (২০১৯-২১)-ৰ তথ্য অনুসৰি, পাঁচ বছৰৰ তলৰ শিশুৰ প্ৰায় ৩৫.৫ শতাংশ বয়সৰ তুলনাত উচ্চতা কম (Stunted), ১৯.৩ শতাংশ উচ্চতাৰ তুলনাত ওজন কম (Wasted) আৰু ৩২.১ শতাংশ বয়সৰ তুলনাত ওজন কম (Underweight)। ষষ্ঠ NFHS-ৰ তথ্য অনুসৰি এই হাৰ কিছু পৰিমাণে হ্ৰাস পাইছে। বয়সৰ তুলনাত উচ্চতা কম থকা শিশুৰ হাৰ ২৯.৩ শতাংশ, উচ্চতাৰ তুলনাত ওজন কম থকা শিশুৰ হাৰ ১৯.০ শতাংশ আৰু বয়সৰ তুলনাত ওজন কম থকা শিশুৰ হাৰ ৩১.৮ শতাংশলৈ হ্ৰাস পাইছে। তথাপি, দেশৰ সামগ্ৰিক পুষ্টিৰ পৰিস্থিতি এতিয়াও সন্তোষজনক বুলি ক'ব নোৱাৰি। বিশেষকৈ মহিলাসকলৰ মাজত ৰক্তহীনতা এক গুৰুতৰ সমস্যা হিচাপে দেখা দিছে। পঞ্চম NFHS-ৰ তথ্য অনুসৰি, ১৫-৪৯ বছৰ বয়সৰ প্ৰায় ৫৭ শতাংশ মহিলা ৰক্তহীনতাত ভুগিছিল। পাঁচ বছৰৰ তলৰ শিশুসকলৰ মাজতো ৰক্তহীনতাৰ প্ৰাদুৰ্ভাৱ যথেষ্ট। অৱশ্যে ৰাজ্যভেদে পুষ্টিহীনতা আৰু ৰক্তহীনতাৰ হাৰত যথেষ্ট তাৰতম্য দেখা যায়। পুষ্টিহীনতাৰ ফলত শিশুৰ শাৰীৰিক বৃদ্ধি আৰু মানসিক বিকাশ বাধাগ্ৰস্ত হ'ব পাৰে। একেদৰে, ৰক্তহীনতাত ভোগা মহিলাসকলে গৰ্ভধাৰণ আৰু সন্তান জন্মৰ সময়ত বিভিন্ন স্বাস্থ্যজনিত জটিলতাৰ সন্মুখীন হ'ব পাৰে। সেয়েহে পুষ্টিহীনতা আৰু ৰক্তহীনতাৰ বিৰুদ্ধে যুঁজ অধিক ব্যাপক আৰু সুসংগঠিত কৰাটো অতি প্ৰয়োজনীয়।

প্ৰতি বৰ্ষৰ দৰে এইবৰ্ষতো পোষণ মাহ উদযাপন কৰিবলৈ মূল বিষয়বস্তুৰ লগতে কিছু আনুষংগিক বিষয়ো নিৰ্ধাৰণ কৰা হৈছে। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে নিৰ্দ্ধাৰণ কৰা এই বৰ্ষৰ পোষণ মাহৰ অন্যতম গুৰুত্বপূৰ্ণ বিষয় হৈছে খাদ্যৰ বৈচিত্ৰ্য আৰু পৰ্যাপ্ত প্ৰটিন (Dietary Diversity and Adequate Protein)। আমাৰ জ্ঞাত যে কেৱল ভাত, ৰুটি আদি শস্যজাতীয় খাদ্যই সকলো প্ৰয়োজনীয় পুষ্টি যোগান ধৰিব নোৱাৰে। শিশুৰ বৃদ্ধি, পেশী গঠন আৰু শৰীৰৰ বিভিন্ন জৈৱিক কাৰ্যৰ বাবে প্ৰ'টিনৰ প্ৰয়োজন। একেদৰে ভিটামিন, খনিজ পদাৰ্থ, আঁহ আৰু অন্যান্য মাইক্ৰ'নিউট্ৰিয়েণ্টৰ বাবে বিভিন্ন খাদ্যৰ প্ৰয়োজন হয়। সেয়ে দৈনন্দিন খাদ্য তালিকাত মিলেট, দাইল আৰু অন্যান্য দাইলজাতীয় খাদ্য, শাক-পাচলি, ফলমূল, বাদাম আৰু বীজ, গাখীৰ আৰু দুগ্ধজাত সামগ্ৰীৰ লগতে কণী আৰু অন্যান্য প্ৰাণীজ প্ৰ'টিন অন্তৰ্ভুক্ত কৰাৰ ওপৰত গুৰুত্ব দিব লাগে। এই উদ্দেশ্যে অংগনৱাড়ী কেন্দ্ৰত স্বাস্থ্যকৰ আৰু বৈচিত্ৰ্যময় খাদ্য প্ৰস্তুতিৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰিব পাৰি। ইয়াৰ বিশেষত্ব এয়ে যে ব্যয়বহুল বা বিদেশী খাদ্যৰ পৰিৱৰ্তে স্থানীয়ভাৱে সহজে উপলব্ধ আৰু সুলভ খাদ্য ব্যৱহাৰ কৰা। লগতে পোষণ বাগিছাত (Poshan Vatika) উৎপাদিত শাক-পাচলি আৰু স্থানীয় ঋতুভিত্তিক খাদ্যকো এই ক্ষেত্ৰত অধিক গুৰুত্ব দিব পাৰি।

পোষণ মাহ, ২০২৬ৰ দ্বিতীয় গুৰুত্বপূৰ্ণ বিষয় হৈছে অংগনবাড়ী কেন্দ্ৰসমূহত গৰমকৈ ৰন্ধা সতেজ আহাৰ (Fresh Hot Cooked Meals)। অংগনৱাড়ী কেন্দ্ৰৰ পৰিপূৰক পুষ্টি কাৰ্যসূচীৰ জৰিয়তে যোগ্য শিশু আৰু আন হিতাধিকাৰীসকলক পুষ্টিকৰ আহাৰ প্ৰদান কৰা হয়। কিন্তু আহাৰ দিয়াটোৱেই শেষ কথা নহয়। আহাৰ সতেজ, পৰিষ্কাৰ-পৰিচ্ছন্ন, পুষ্টিকৰ আৰু বৈচিত্ৰ্যময় হোৱাটোও অতি প্ৰয়োজনীয়। এই ক্ষেত্ৰত সপ্তাহভিত্তিক খাদ্য তালিকাৰ পৰিৱৰ্তন (Weekly Menu Rotation) কৰাটো বিশেষ গুৰুত্বপূৰ্ণ। প্ৰতিদিনে একে ধৰণৰ খাদ্যৰ পৰিৱৰ্তে বেলেগ-বেলেগ দিনত মিলেট, দাইল, ঋতুভিত্তিক শাক-পাচলি আৰু অন্যান্য স্থানীয় খাদ্য সামগ্ৰী ব্যৱহাৰ কৰিলে খাদ্যৰ বৈচিত্ৰ্য বৃদ্ধি পায়। অংগনৱাড়ী কেন্দ্ৰত গৰমকৈ ৰন্ধা আহাৰ প্ৰদৰ্শন কৰি অভিভাৱক, পঞ্চায়ত, আত্ম-সহায়ক গোট আৰু অংগনবাড়ী কেন্দ্ৰ পৰিচালনা সমিতি (Anganwadi Management Committee)ৰ সদস্যসকলক জড়িত কৰিব পাৰি। ইয়াৰ জৰিয়তে অংগনৱাড়ী কেন্দ্ৰত শিশুৱে পোৱা স্বাস্থ্যকৰ আৰু পুষ্টিকৰ খাদ্যৰ ধাৰণা পৰিয়ালসমূহেও নিজৰ ঘৰতে অনুসৰণ কৰিব পাৰিব।

এইবাৰৰ মূল বিষয়বস্তুৰ সৈতে সৰ্বাধিক সামঞ্জস্য থকা বিষয়টো হৈছে সমাজৰ মালিকীস্বত্ব আৰু দায়বদ্ধতা (Community Ownership and Accountability)। অংগনবাড়ী কেন্দ্ৰ পৰিচালনা সমিতি গঠন কৰাৰ ব্যৱস্থাই অংগনৱাড়ী সেৱাত সামাজিক অংশগ্ৰহণ আৰু মালিকীস্বত্বৰ এক সুযোগ সৃষ্টি কৰিছে। অংগনৱাড়ী মুখ্য সেৱিকাসকলৰ নেতৃত্বত গঠিত এই সমিতিসমূহে পুষ্টি সেৱাৰ পৰ্যালোচনা, জনসচেতনতা, হিতাধিকাৰীসকলৰ অংশগ্ৰহণ আৰু সেৱাৰ মান উন্নত কৰাত সহায় কৰিব পাৰে। এই পোষণ মাহৰ সময়ছোৱাত প্ৰতিটো অংগনৱাড়ী কেন্দ্ৰত সমিতিৰ সদস্যসকলৰ অন্ততঃ এখন বৈঠক অনুষ্ঠিত কৰি সমিতিসমূহক সক্ৰিয় কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। ইয়াৰ সৈতে পুষ্টিকৰ খাদ্য তালিকাৰ প্ৰদৰ্শনো অত্যন্ত গুৰুত্বপূৰ্ণ। এনেদৰে অংগনৱাড়ী কেন্দ্ৰত দিনভিত্তিক খাদ্য তালিকা স্পষ্টভাৱে প্ৰদৰ্শিত হ'লে অভিভাৱক আৰু স্থানীয় ৰাইজে ইয়াৰ সবিশেষ জানিব পাৰিব।

পোষণ মাহ, ২০২৬ৰ চতুৰ্থ বিষয়টো হ'ল “পুষ্টি আৰু শিশুৰ মগজুৰ বিকাশ” (Nutrition and Early Stimulation for Childhood Development)। আমি জানো যে জীৱনৰ প্ৰথম ১, ০০০ দিন, অৰ্থাৎ গৰ্ভধাৰণৰ পৰা শিশুৰ প্ৰায় দুবছৰ বয়সলৈকে মগজু আৰু শৰীৰৰ সামগ্ৰিক বিকাশৰ বাবে অতি গুৰুত্বপূৰ্ণ। এই সময়ছোৱাত পৰ্যাপ্ত পুষ্টি, মাতৃৰ যত্ন, দুগ্ধপান, উপযুক্ত পৰিপূৰক আহাৰ, স্বাস্থ্যসেৱা আৰু সংবেদনশীল যত্নই শিশুৰ বিকাশ আৰু ভৱিষ্যতৰ ভেটি গঢ়ি তোলে। সংশোধিত গৃহ পৰিদৰ্শন সূচীৰ জৰিয়তে ০-৩ বছৰ বয়সৰ শিশুৰ ৩৪টা বিকাশৰ স্তৰৰ ওপৰত আধাৰিত পৰামৰ্শ আৰু অনুসৰণ অধিক শক্তিশালী কৰাৰ লক্ষ্য লোৱা হৈছে। অংগনৱাড়ী কৰ্মীসকলে গৃহ পৰিদৰ্শনৰ সময়ত শিশুৰ খাদ্যাভ্যাস, যত্ন, ভাষা বিকাশ, খেল-ধেমালি, যোগাযোগ আৰু প্ৰাৰম্ভিক উদ্দীপনাৰ বিষয়ে অভিভাৱকসকলক উপযুক্ত পৰামৰ্শ প্ৰদান কৰিব পাৰে। ইয়াৰ উপৰিও, নৱচেতনা আৰু আধাৰশীলাৰ দৰে শিশুৰ প্ৰাক-প্ৰাথমিক যতন আৰু শিক্ষাৰ পাঠ্যক্ৰমৰ জৰিয়তে বয়স-উপযোগী শিক্ষা, সামগ্ৰিক বিকাশ আৰু বিদ্যালয়লৈ প্ৰস্তুতিৰ ওপৰত গুৰুত্ব আৰোপ কৰাটোও এই প্ৰচেষ্টাৰ এক গুৰুত্বপূৰ্ণ অংশ।

এইবাৰৰ পোষণ মাহৰ

**আগলৈ...**